জন জন বিচাৰ
সপ্তাহৰ চিন্তা
"সত্যৰ পথ কেতিয়াও সহজ নহয়, কিন্তু যিয়ে সাহসেৰে সত্যক আঁকোৱালি লয়, তেওঁক ইতিহাসে সন্মান দিয়ে।"

ৰাইজৰ কথা ৰাইজৰ মাজলৈ
সাপ্তাহিক
# জন জন বিচাৰ




RNI Regd No. ASMUL/25/A2367 :: Guwahati,1 June, 2026 Monday :: Vol-1, Year-1 :: সোমবাৰ, ১৭ জেঠ, কৃষ্ণা, প্ৰতিপদ, শকাব্দ ১৯৪৮ :: পৃষ্ঠা ঃ ৮ মূল্য ঃ ৫ টকা ::

# দিল্লীত মুখ্যমন্ত্ৰীৰ কূটনৈতিক দৌৰ







প্ৰধানমন্ত্ৰী, প্ৰতিৰক্ষা মন্ত্ৰী আৰু বৈদেশিক পৰিক্ৰমা মন্ত্ৰীৰ সৈতে বৈঠক; অসমত প্ৰতিৰক্ষা উদ্যোগ স্থাপনৰ দিশত নতুন পদক্ষেপ

জন জন বিচাৰ
...✍নতুন দিল্লী

চাৰি দিনীয়া নতুন দিল্লী ভ্ৰমণত অসমৰ মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই কেন্দ্ৰীয় নেতৃত্বৰ সৈতে একাধিক গুৰুত্বপূৰ্ণ বৈঠক অনুষ্ঠিত কৰি ৰাজ্যৰ উন্নয়ন, বিনিয়োগ আৰু ঔদ্যোগিক সম্প্ৰসাৰণৰ বিভিন্ন বিষয়ত আলোচনা কৰে। বিশেষকৈ অসমত প্ৰতিৰক্ষা উৎপাদন উদ্যোগৰ এক শক্তিশালী পৰিৱেশ গঢ়ি তোলাৰ ক্ষেত্ৰত এই ভ্ৰমণ তাৎপৰ্যপূৰ্ণ বুলি ধৰা হৈছে।

কেন্দ্ৰীয় প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙৰ সৈতে হোৱা বৈঠকত মুখ্যমন্ত্ৰীয়ে অসমত প্ৰতিৰক্ষা উদ্যোগ স্থাপন আৰু সম্প্ৰসাৰণৰ সম্ভাৱনা সন্দৰ্ভত আলোচনা কৰে। বৈঠকৰ পিছত ডঃ শৰ্মাই জনায় যে অসমত ৰাজহুৱা খণ্ড আৰু ব্যক্তিগত খণ্ডৰ প্ৰতিৰক্ষা উদ্যোগসমূহৰ অংশগ্ৰহণেৰে এক বৃহৎ প্ৰদৰ্শনী আৰু সন্মিলন আয়োজনৰ পৰামৰ্শ দিছে কেন্দ্ৰীয় প্ৰতিৰক্ষা ২ পৃষ্ঠাত

## ৫ জুনত অসম মন্ত্ৰীসভাৰ সম্প্ৰসাৰণ

**গুৱাহাটী।** জল্পনা-কল্পনাৰ অন্ত পেলাই মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই অসম মন্ত্ৰীসভাৰ সম্প্ৰসাৰণৰ তাৰিখ ঘোষণা কৰিছে। মুখ্যমন্ত্ৰীয়ে জনোৱা অনুসৰি, অহা ৫ জুনত গুৱাহাটীত অনুষ্ঠিত হ'ব মন্ত্ৰীসভা সম্প্ৰসাৰণৰ শপতগ্ৰহণ অনুষ্ঠান।

সম্প্ৰতি নতুন দিল্লী ভ্ৰমণৰত মুখ্যমন্ত্ৰী ডঃ শৰ্মাই প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীৰ সৈতে সাক্ষাৎ আৰু কেন্দ্ৰীয় নেতৃত্বৰ সৈতে বৈঠকৰ পাছতে মন্ত্ৰীসভা সম্প্ৰসাৰণৰ অনুমোদন লাভ কৰে। সামাজিক মাধ্যম এক্সত এই সন্দৰ্ভত আনুষ্ঠানিক ঘোষণা কৰে মুখ্যমন্ত্ৰীয়ে।

উল্লেখযোগ্য যে, ৩ জুনৰ পাছত মন্ত্ৰীসভা সম্প্ৰসাৰণ হ'ব বুলি পূৰ্বেই ইংগিত দিছিল ডঃ শৰ্মাই। সেই উদ্দেশ্যে মন্ত্ৰীসভাৰ তালিকাৰ চূড়ান্ত অনুমোদন লাভৰ বাবে তেওঁ দিল্লীলৈ গৈ কেন্দ্ৰীয় নেতৃত্বৰ সৈতে একাধিক গুৰুত্বপূৰ্ণ বৈঠকত অংশগ্ৰহণ কৰে।

ৰাজনৈতিক মহলত ইতিমধ্যে নতুন মন্ত্ৰীসভাত কোন কোন বিধায়কে স্থান লাভ কৰিব তাক লৈ ব্যাপক চৰ্চা আৰম্ভ হৈছে। ৫ জুনৰ শপতগ্ৰহণ অনুষ্ঠানত সেই জল্পনাৰ অন্ত পৰিব বুলি আশা কৰা হৈছে।

## বেঙুনীয়া হৈ পৰিব গুৱাহাটী

জন জন বিচাৰ
...✍ গুৱাহাটী

স্বচ্ছ সৰ্বেক্ষণ ২০২৬-ত গুৱাহাটীক শীৰ্ষস্থানত অধিষ্ঠিত কৰাৰ লক্ষ্যৰে গুৱাহাটী পৌৰ নিগমে এক ব্যতিক্ৰমী আৰু জনসম্পৃক্ত পদক্ষেপ গ্ৰহণ কৰিছে। নগৰখনৰ মহিলা সমিতি, উন্নয়ন সমিতি, নাগৰিক সমিতি আৰু বিভিন্ন সংঘক সামৰি এলেকাভিত্তিক "স্বচ্ছতা প্ৰতিযোগিতা" ঘোষণা কৰা হৈছে। এই প্ৰতিযোগিতাৰ জৰিয়তে পৰিস্কাৰ-পৰিচ্ছন্নতা, সেউজীয়া আৰু স্বাস্থ্যসন্মত গুৱাহাটী গঢ়াৰ ক্ষেত্ৰত নাগৰিক সমাজৰ সক্ৰিয় অংশগ্ৰহণ নিদ্ৰিশ্চত কৰাৰ লক্ষ্য লোৱা হৈছে।

এই সন্দৰ্ভত গুৱাহাটী পৌৰ নিগমৰ উজানবজাৰস্থিত কাৰ্যালয়ত অনুষ্ঠিত সংবাদমেলত সভাপতিত্ব কৰে মেয়ৰ মৃগেন শৰণীয়াই। অনুষ্ঠানত উপস্থিত থাকে উপ-মেয়ৰ স্মিতা ৰয়, পাৰিষদ অসীম শইকীয়া, পৌৰ আয়ুক্ত দ্ৰব্ৰশ্ৰী চিন্ময় প্ৰকাশ ফুকন, অতিৰিক্ত আয়ুক্ত ডঃ ধ্ৰুৱজ্যোতি হাজৰিকা আৰু পৌৰ নিগমৰ অন্যান্য জ্যেষ্ঠ বিষয়াসকল।

মেয়ৰ শ্ৰী শৰণীয়াই কয় যে, "স্বচ্ছতা কেৱল চৰকাৰ বা পৌৰ নিগমৰ দায়িত্ব নহয়, ই সমগ্ৰ সমাজৰ এক সামূহিক দায়বদ্ধতা। এই প্ৰতিযোগিতাই নাগৰিকসকলক নিজৰ এলেকাক পৰিস্কাৰ পৰিচ্ছন্ন, সজীৱ আৰু আদৰ্শ অঞ্চল হিচাপে গঢ়ি তোলাৰ ২ পৃষ্ঠাত

### পৌৰ নিগমৰ এলেকাভিত্তিক স্বচ্ছতা প্ৰতিযোগিতা




**পুৰস্কাৰসমূহঃ** প্ৰথম পুৰস্কাৰ -৩,০০,০০০.০০ টকা
দ্বিতীয় পুৰস্কাৰ - ২,০০,০০০.০০ টকা
তৃতীয় পুৰস্কাৰ - ১,০০,০০০.০০ টকা
তিনিটা উদগনি মূলক পুৰস্কাৰ - প্ৰতিটোৰ বাবদ ৫০,০০০.০০ টকা
ব্যতিক্ৰমীভাৱে উৎকৃষ্ট সমিতিলৈ বিশেষ পুৰস্কাৰ -৫,০০,০০০ টকা

## তামিলনাডুত গণপ্ৰহাৰত নিহত গোৱালপাৰাৰ যুৱক



"মোক বচাওক, তৰোৱাল লৈ আহিছে..."

জন জন বিচাৰ
...✍ দুধনৈ

"মোক বচাওক... মোক মাৰি পেলাবলৈ তৰোৱাল লৈ আহিছে..." মৃত্যুৰ কিছু মুহূৰ্ত পূৰ্বে ভনীয়েকলৈ কৰা এই আতংকভৰা ফোনকলেই এতিয়া গোৱালপাৰাৰ দুধনৈৰ এটা পৰিয়ালক জীৱনভৰ খেদি ফুৰিব। জীৱিকাৰ সন্ধানত ঘৰ এৰি তামিলনাডুলৈ যোৱা ৩৫ বছৰীয়া প্ৰসেনজিৎ দাসৰ মৃত্যু কেৱল এটা অপৰাধমূলক ঘটনাই নহয়, ই পুনৰবাৰ উন্মোচন কৰিছে অসমৰ হাজাৰ হাজাৰ প্ৰব্ৰজনশীল শ্ৰমিকৰ অনিশ্চিত আৰু অসুৰক্ষিত জীৱনৰ বাস্তৱতা।

তামিলনাডুৰ তিৰুৱাল্লুৰ জিলাত সংঘটিত ৭ পৃষ্ঠাত

ভিতৰৰ পৃষ্ঠাত
৩. 'ৱাশ্বিং মেচিন' ৰাজনীতিৰ বিৰুদ্ধে...
৪. ৰাজনীতি হওক জনমুখী, সনাতন...
৫. ভাৰতত আহিব প্লাষ্টিক নোট!
৭. বিৰাটৰ বিৰাটত্ব অব্যাহত, পুনৰ...

# কৃতী ছাত্ৰ-ছাত্ৰীক সম্বৰ্ধনা

জন জন বিচাৰ
...✍ৰহা

ৰহাৰ ফুলগুৰিস্থিত জি. এম. ইলেক্ট্ৰনিকছ উদ্যোগত অনুষ্ঠিত এক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত উচ্চ আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত কৃতিত্ব দেখুওৱা ১১২ গৰাকী ছাত্ৰ-ছাত্ৰীক সম্বৰ্ধনা জনোৱা হয়। প্ৰতিষ্ঠানটোৰ স্বত্বাধিকাৰী গৌতম ডেকাৰ বিশেষ উদ্যোগত আয়োজিত এই অনুষ্ঠানত বিভিন্ন শিক্ষাবিদ, বিশিষ্ট ব্যক্তি, অভিভাৱক আৰু ছাত্ৰ-ছাত্ৰী উপস্থিত থাকে।

অনুষ্ঠানত ৰহা সমষ্টিৰ বিধায়ক শশীকান্ত দাস, নগাঁও-বটদ্ৰৱা সমষ্টিৰ বিধায়ক ৰূপক শৰ্মা, বিভিন্ন মহাবিদ্যালয়ৰ অধ্যক্ষ, চিকিৎসক আৰু শিক্ষাবিদসকলে ছাত্ৰ-ছাত্ৰীসকলক জীৱন গঢ়াৰ ক্ষেত্ৰত দিক্‌নিৰ্দেশনামূলক বক্তব্য আগবঢ়ায়। গৌতম ডেকাই নিজৰ জীৱন সংগ্ৰামৰ অভিজ্ঞতা বৰ্ণনা কৰি অধ্যৱসায়, শৃংখলা আৰু গুৰুজনৰ প্ৰতি শ্ৰদ্ধাৰ গুৰুত্বৰ ওপৰত আলোকপাত কৰে।

অনুষ্ঠানত প্ৰায় ৩০খন বিদ্যালয়ৰ ১১২ গৰাকী কৃতী ছাত্ৰ-ছাত্ৰীক গামোচা, সম্বৰ্ধনা পত্ৰ আৰু উপহাৰেৰে সন্মানিত কৰা হয়। এই পদক্ষেপক শিক্ষা আৰু সমাজসেৱাৰ ক্ষেত্ৰত এক প্ৰশংসনীয় উদ্যোগ বুলি অভিহিত কৰে উপস্থিত বিশিষ্টসকলে।




# আলফাৰ নামত ধন দাবী : মূল অভিযুক্ত মানস গগৈৰ সন্ধান দিওঁতাক ৫০ হাজাৰ টকাৰ পুৰস্কাৰ

জন জন বিচাৰ
...✍নাজিৰা

আলফাৰ নামত ধন দাবী কাণ্ডৰ মূল পৰিকল্পনাকাৰী তথা পলাতক অভিযুক্ত মানস গগৈৰ সন্ধান দিওঁতাক ৫০ হাজাৰ টকা পুৰস্কাৰ ঘোষণা কৰিছে শিৱসাগৰ আৰক্ষীয়ে।

নাজিৰা সমজিলাৰ নমাটি-মলাগাঁৱত ধন সংগ্ৰহ কৰিবলৈ যোৱা এটা দল আৰু আৰক্ষীৰ মাজত সংঘটিত গুলীচালনাৰ ঘটনাৰ তদন্তত মানস গগৈৰ জড়িত থকাৰ তথ্য পোহৰলৈ আহে।

আৰক্ষীৰ মতে, ব্যৱসায়ী লাচিত গগৈৰ পৰা আলফাৰ নামত ধন দাবী কৰাৰ সমগ্ৰ পৰিকল্পনাৰ আঁৰত আছিল মানস গগৈ। ঘটনাৰ সৈতে জড়িত কেইবাজনো যুৱকক আটক কৰি জেৰা চলোৱাৰ পিছত এই তথ্য লাভ কৰে আৰক্ষীয়ে। মানস গগৈ পলাতক অৱস্থাত থকাৰ লগতে নাগালেণ্ডলৈ পলাই যোৱাৰ সন্দেহ প্ৰকাশ কৰিছে তদন্তকাৰীসকলে।

উল্লেখযোগ্য যে মানস গগৈৰ বিৰুদ্ধে পূৰ্বৰ পৰাও একাধিক ধন দাবী, অপহৰণ আৰু অন্যান্য অপৰাধমূলক গোচৰ আছে। আৰক্ষীয়ে জনোৱা মতে, অভিযুক্তজনৰ সন্ধান দিওঁতাৰ পৰিচয় সম্পূৰ্ণ গোপন ৰখা হ'ব। ঘটনাৰ তদন্ত অব্যাহত আছে।

## এই সপ্তাহৰ ৰাশিফল

**০১-০৬-২০২৬ৰ পৰা ০৭-০৬-২০২৬লৈ**

**মেষ ৰাশি:** মানসিক দুশ্চিন্তাৰ পৰা বিৰত থাকক। শাৰীৰিক ক্ষেত্ৰত শুভ ফল লাভ কৰিব। প্ৰেমৰ ক্ষেত্ৰত সন্দেহৰ ফলত বিবাদৰ সৃষ্টি হব পাৰে।

**বৃষ ৰাশি:** বিদ্যাৰ ক্ষেত্ৰত ভাগ্যৰ সহায় লাভ কৰিব। মানসিক অস্থিৰতা থাকিব পাৰে। মাতৃৰ শৰীৰ-স্বাস্থ্যৰ প্ৰতি যত্ন লওক।

**মিথুন ৰাশি:** ব্যৱসায়-বাণিজ্যত উন্নতিৰ যোগ আছে। বিদ্যাৰ ক্ষেত্ৰত শুভ। কৰ্মক্ষেত্ৰত অদৰকাৰী বাদ-বিবাদৰ পৰা বিৰত থাকক।

**কৰ্কট ৰাশি:** মানসিক উদ্বিগ্নতা আহিব পাৰে। কঠোৰ বাক্যবাণৰ পৰা আঁতৰি থাকক। বিদ্যাৰ্থীসকলৰ বাবে সপ্তাহটো শুভ।

**সিংহ ৰাশি:** মানসিক চিন্তাই মন উদ্বিগ্ন কৰি ৰাখিব পাৰে। বিদ্যাৰ ক্ষেত্ৰত শুভ। শৰীৰ-স্বাস্থ্যৰ প্ৰতি যত্ন লোৱাৰ প্ৰয়োজন আছে।

**কন্যা ৰাশি:** কৰ্মক্ষেত্ৰত সন্মান বৃদ্ধি পোৱাৰ সম্ভাৱনা আছে। মানসিক সুখ-শান্তি লাভ কৰিব। প্ৰেমৰ ক্ষেত্ৰত শুভ।

**তুলা ৰাশি:** মানসিক উদ্বিগ্নতা থাকিব। পিতৃৰ শৰীৰ-স্বাস্থ্যৰ যত্ন লওক। প্ৰেমৰ ক্ষেত্ৰত মতানৈক্য আহিব পাৰে।

**বৃশ্চিক ৰাশি:** কৰ্মক্ষেত্ৰত সাৱধান হওক। মানসিক অস্থিৰতা থাকিব। আৰ্থিক ক্ষেত্ৰত শুভ ফল লাভ কৰিব।

**ধনু ৰাশি:** শাৰীৰিক ক্ষেত্ৰত শুভ। চেষ্টাৰ সফলতা লাভ কৰিব। প্ৰেমৰ ক্ষেত্ৰতো শুভ যোগ দেখা যায়।

**মকৰ ৰাশি:** অদৰকাৰী বাদ-বিবাদৰ পৰা বিৰত থাকক। বিদ্যাৰ্থীসকলৰ বাবে শুভ। আৰ্থিক ক্ষেত্ৰতো শুভ ফল লাভ কৰিব।

**কুম্ভ ৰাশি:** কঠোৰ বাক্যবাণৰ ফলত কোনো নিকট আত্মীয়ৰ সৈতে মনোমালিন্য হব পাৰে। কৰ্মক্ষেত্ৰত শুভ। পত্নীৰ শৰীৰ-স্বাস্থ্যৰ প্ৰতি যত্ন লোৱাৰ প্ৰয়োজন আছে।

**মীন ৰাশি:** শৰীৰ-স্বাস্থ্যৰ প্ৰতি যত্ন লওক। অনাকাংক্ষিত খৰচ বৃদ্ধি পাব পাৰে। বিদ্যাৰ ক্ষেত্ৰত শুভ ফল লাভ কৰিব।

**-হিতেন শৰ্মা শাস্ত্ৰী**
অধ্যাপক, বিশ্ব জ্যোতিষ বিদ্যাপীঠ, অসম শাখা
যোগাযোগ : ৯৮৫৪০২৬৭৭৯



**নতুন দিল্লীত অনুষ্ঠিত এক অনুষ্ঠানত ভাৰতৰ নতুন চীফ অৱ ডিফেন্স ষ্টাফ (চিডিএছ) হিচাপে দায়িত্ব গ্ৰহণ কৰাৰ পাছত সংবাদ মাধ্যমৰ সৈতে কথা পাতিছে লেফটেনেণ্ট জেনেৰেল এন. এছ. ৰাজা সুব্ৰমণি।**

## প্ৰথম পৃষ্ঠাৰ পৰা

### বেঙুনীয়া হৈ পৰিব গুৱাহাটী

বাবে উৎসাহিত কৰিব।"

প্ৰতিযোগিতাত ১০০ পৰা ৩০০ পৰিয়াল সামৰি থকা মহিলা সমিতি, উন্নয়ন সমিতি, নাগৰিক সমিতি আৰু ক্লাবসমূহে অংশগ্ৰহণ কৰিব পাৰিব। মুঠ ১৫০ নম্বৰৰ ভিত্তিত মূল্যায়ন কৰা হ'ব। আৱৰ্জনা পৃথকীকৰণ, পৰিষ্কাৰ নলা-নৰ্দমা, মুকলি আৱৰ্জনামুক্ত এলেকা, বৃক্ষৰোপণ, সামাজিক সচেতনতা, পেলনীয়া জাবৰৰ পৰা পচন সাৰ উৎপাদনৰ ব্যৱস্থা, পৰিষ্কাৰ পথ আৰু নান্দনিক সৌন্দৰ্যবৰ্ধনৰ দৰে বিভিন্ন মানদণ্ডৰ ওপৰত মূল্যায়ন সম্পন্ন হ'ব।

বিশেষভাৱে, উন্নয়ন সমিতিৰ সিদ্ধান্ত অনুসৰি দোকান, ঘৰ আৰু দেৱালসমূহত অসমৰ ৰাজ্যিক ফুল কপৌফুলৰ বেঙুনীয়া ৰং ব্যৱহাৰ কৰি নান্দনিক সৌন্দৰ্যবৰ্ধন কৰিলে সৰ্বাধিক ৫০ নম্বৰ লাভ কৰিব পাৰিব।

প্ৰথম, দ্বিতীয় আৰু তৃতীয় পুৰস্কাৰৰ মূল্য ক্ৰমে ৩ লাখ, ২ লাখ আৰু ১ লাখ টকা। ইয়াৰ উপৰিও তিনিটা উদগনিমূলক পুৰস্কাৰ আৰু এক ব্যতিক্ৰমী শ্ৰেষ্ঠ সমিতিলৈ ৫ লাখ টকাৰ বিশেষ পুৰস্কাৰ ঘোষণা কৰা হৈছে। অংশগ্ৰহণ কৰা ন্যূনতম ৫০ নম্বৰ প্ৰাপ্ত সকলো সমিতিক প্ৰমাণপত্ৰসহ একোখন স্মাৰক প্ৰদান কৰা হ'ব। নগৰখনত পৰিচ্ছন্নতা আন্দোলনক অধিক শক্তিশালী কৰাৰ লক্ষ্যৰে গুৱাহাটী পৌৰ নিগমে প্ৰায় ১,০০০ গৰাকী মহিলা "স্বচ্ছ সখী" নিয়োগ কৰাৰো পৰিকল্পনা কৰিছে, মহিলা সৱলীকৰণৰ উদ্দেশ্যে এই পদক্ষেপ লোৱা হৈছে। প্ৰতিগৰাকী স্বচ্ছ সখীয়ে প্ৰায় ক্লাষ্টাৰ পৰিয়ালৰ সৈতে সমন্বয় সাধন কৰি আৱৰ্জনা সংগ্ৰহ ব্যৱস্থাৰ তদাৰক আৰু পৰিচ্ছন্নতা সম্পৰ্কীয় সচেতনতা বৃদ্ধিৰ কাম কৰিব।

একেসময়তে নাগৰিকৰ অধিক অংশগ্ৰহণ নিশ্চিত কৰিবলৈ গৃহস্থলীৰ আৱৰ্জনা সংগ্ৰহৰ মাহিলী ব্যৱহাৰকাৰী মাচুল ৫০ টকাৰ পৰা ৩০ টকালৈ হ্ৰাস কৰা হৈছে। এই সিদ্ধান্তই অধিক সংখ্যক পৰিয়ালক দুৱাৰমুখীয়া আৱৰ্জনা সংগ্ৰহ ব্যৱস্থাৰ সৈতে সংযুক্ত কৰাত সহায় কৰিব।

গুৱাহাটী পৌৰ নিগমৰ এই পদক্ষেপে নগৰখনত এলেকাভিত্তিক মালিকানা, দায়বদ্ধতা আৰু পৰিচ্ছন্নতাৰ সংস্কৃতি গঢ়ি তোলাৰ এক শক্তিশালী বাৰ্তা বহন কৰিছে। স্থানীয় সমিতি, মহিলা গোট আৰু সচেতন নাগৰিকৰ সক্ৰিয় সহযোগিতাৰ জৰিয়তে গুৱাহাটীক অধিক পৰিষ্কাৰ, সেউজীয়া, সুস্থ আৰু বাসোপযোগী মহানগৰ হিচাপে গঢ়ি তোলাই এই কাৰ্যসূচীৰ মূল লক্ষ্য।

যদি এই অভিযান সফল হয়, তেন্তে অদূৰ ভৱিষ্যতে গুৱাহাটী কেৱল স্বচ্ছ নহয়, বৰং "বেঙুনীয়া নগৰী" হিচাপেও নতুন পৰিচয় লাভ কৰিব পাৰে।

### দিল্লীত মুখ্যমন্ত্ৰীৰ কূটনৈতিক দৌৰ

মন্ত্ৰীয়ে। লগতে এই ক্ষেত্ৰত সম্পূৰ্ণ সহযোগিতাৰ আশ্বাসো প্ৰদান কৰিছে। মুখ্যমন্ত্ৰীৰ মতে, উত্তৰ-পূৰ্বাঞ্চলত কৌশলগতভাৱে গুৰুত্বপূৰ্ণ ৰাজ্য হিচাপে অসমক প্ৰতিৰক্ষা উৎপাদন আৰু সামৰিক সঁজুলি নিৰ্মাণৰ এক নতুন কেন্দ্ৰ হিচাপে গঢ়ি তোলাৰ সম্ভাৱনা আছে। এই পদক্ষেপে বিনিয়োগ বৃদ্ধি কৰাৰ লগতে নতুন কৰ্মসংস্থাপনৰ সুযোগো সৃষ্টি কৰিব।

ইফালে, মুখ্যমন্ত্ৰীয়ে বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ডঃ এছ. জয়শংকৰৰ সৈতেও সাক্ষাৎ কৰে। জয়শংকৰে শেহতীয়া বিধানসভা নিৰ্বাচনত এন ডি এৰ সফলতাৰ বাবে মুখ্যমন্ত্ৰীক অভিনন্দন জনোৱাৰ লগতে অসমৰ উন্নয়ন যাত্ৰাত কেন্দ্ৰীয় চৰকাৰৰ পূৰ্ণ সহযোগিতাৰ আশ্বাস দিয়ে।

ইয়াৰ পূৰ্বে মুখ্যমন্ত্ৰীয়ে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীৰ সৈতে সাক্ষাৎ কৰি দ্বিতীয়বাৰৰ বাবে গঠিত এন ডি এ চৰকাৰৰ অগ্ৰাধিকাৰমূলক কাৰ্যসূচীসমূহৰ বিষয়ে অৱগত কৰে। বৈঠকত ৰাজ্যৰ উন্নয়ন, বিনিয়োগ, আন্তঃগাঁথনি আৰু প্ৰশাসনিক বিষয়সমূহৰ ওপৰত আলোচনা হয়।

দিল্লী ভ্ৰমণক কেন্দ্ৰ কৰি স্পষ্ট হৈছে যে নতুন কাৰ্যকালৰ আৰম্ভণিতে অসম চৰকাৰে একে সময়তে ঔদ্যোগিক বিকাশ, বিনিয়োগ আকৰ্ষণ, প্ৰতিৰক্ষা খণ্ডৰ সম্প্ৰসাৰণ আৰু প্ৰশাসনিক পুনৰ্গঠনৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰিছে।

# 'ৱাশ্বিং মেচিন' ৰাজনীতিৰ বিৰুদ্ধে অব্যাহত থাকিব সংগ্ৰাম

## বিজেপি চৰকাৰৰ দুৰ্নীতি আৰু কেলেংকাৰীৰ বিৰুদ্ধে সৰৱ দেৱব্ৰত শইকীয়া; কংগ্ৰেছ ত্যাগৰ উৰাবাতৰি নস্যাৎ

জন জন বিচাৰ
...✍ নয়নমণি ফুকন, নাজিৰা

অসমৰ ৰাজনীতিত কংগ্ৰেছ দলৰ ভৱিষ্যৎ, দলবদলৰ জল্পনা আৰু শাসকীয় বিজেপি চৰকাৰৰ বিৰুদ্ধে বিৰোধীৰ ভূমিকা-এই তিনিটা বিষয়ক কেন্দ্ৰ কৰি পুনৰ সৰৱ হৈ উঠিছে অসম বিধানসভাৰ বিৰোধী দলৰ প্ৰাক্তন নেতা দেৱব্ৰত শইকীয়া। নাজিৰাস্থিত বাসগৃহত সংবাদ মাধ্যমৰ সৈতে হোৱা এক মত-বিনিময়ত তেওঁ স্পষ্টভাৱে ঘোষণা কৰে যে বিজেপি নেতৃত্বাধীন চৰকাৰৰ দুৰ্নীতি, বিভিন্ন বিভাগত সংঘটিত হোৱা কেলেংকাৰী আৰু তথাকথিত 'ৱাশ্বিং মেচিন' ৰাজনীতিৰ বিৰুদ্ধে কংগ্ৰেছৰ সংগ্ৰাম অব্যাহত থাকিব।



শেহতীয়া নিৰ্বাচনী ফলাফল সম্পৰ্কে মন্তব্য কৰি শইকীয়াই কয় যে কংগ্ৰেছে ৰায়দানৰ ফলাফল বিনম্ৰতাৰে গ্ৰহণ কৰিছে। একে সময়তে পৰাজয়ৰ কাৰণসমূহ দলীয়ভাৱে বিশ্লেষণ কৰা হ'ব বুলিও তেওঁ উল্লেখ কৰে।

তেওঁ কয়, "দলৰ উচ্চ নেতৃত্বই মোক যি দায়িত্ব দিব, মই এজন নিষ্ঠাবান কৰ্মী হিচাপে সেয়া পালন কৰিবলৈ সদায় সাজু।"

ইফালে, তেওঁ বিজেপিত যোগদান কৰিব পাৰে বুলি চলি থকা উৰাবাতৰিক কঠোৰভাৱে নস্যাৎ কৰে। শইকীয়াই স্পষ্ট ভাষাত কয়, "১৯৭২ চনৰ পৰা মই কংগ্ৰেছৰ আদৰ্শৰ সৈতে জড়িত। কংগ্ৰেছৰ প্ৰতি মোৰ আনুগত্য কোনো পৰিস্থিতিতেই সলনি নহয়।"

# মেঘালয়ৰ ভূমিৰ পৰা ভাৰতৰ কূটনৈতিক শক্তিৰ প্ৰদৰ্শন




জন জন বিচাৰ
...✍ শিলং

উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্য মেঘালয়ে শেহতীয়াকৈ এক গুৰুত্বপূৰ্ণ আন্তঃৰাষ্ট্ৰীয় সামৰিক অনুষ্ঠানৰ সাক্ষী হৈ'ৰল। মেঘালয়ৰ উমৰৈ সামৰিক ছাউনিত ১৮ মে'ৰ পৰা ৩১ মে'লৈ অনুষ্ঠিত হোৱা বহুজাতিক সামৰিক অনুশীলন 'প্ৰগতি-২০২৬' সফলভাৱে সমাপ্ত হৈছে। ভাৰতকে ধৰি ১৩খন দেশৰ ৪০০ৰো অধিক সৈনিক আৰু সামৰিক বিষয়া এই অনুশীলনত অংশগ্ৰহণ কৰে।

'প্ৰগতি'ৰ অৰ্থ হৈছে "হিন্দ মহাসাগৰীয় অঞ্চলত উন্নয়ন আৰু ৰূপান্তৰৰ বাবে আঞ্চলিক সেনাবাহিনীৰ অংশীদাৰি"। নামটোৱেই এই অনুশীলনৰ উদ্দেশ্য স্পষ্ট কৰি দিয়ে। আঞ্চলিক সুৰক্ষা, সন্ত্ৰাসবাদবিৰোধী অভিযান, দুৰ্যোগ ব্যৱস্থাপনা আৰু সামৰিক সমন্বয় শক্তিশালী কৰাই আছিল ইয়াৰ মূল লক্ষ্য।

অনুশীলনত ভাৰতৰ উপৰিও ভূটান, নেপাল, শ্ৰীলংকা, মালদ্বীপ, ম্যানমাৰ, ইণ্ডোনেছিয়া, মালয়েছিয়া, ভিয়েটনাম, ফিলিপাইনছ, লাওছ, কম্বোডিয়া আৰু ছেচেলছৰ সৈনিকসকলে অংশগ্ৰহণ কৰে। অংশগ্ৰহণকাৰী দেশসমূহৰ মাজত যৌথ অভিযান, কৌশল বিনিময় আৰু পাৰস্পৰিক সহযোগিতাৰ বিভিন্ন অনুশীলন সম্পন্ন কৰা হয়।

বিশেষজ্ঞসকলৰ মতে, বৰ্তমান সময়ত হিন্দ মহাসাগৰীয় অঞ্চল বিশ্বৰ অন্যতম কৌশলগতভাৱে গুৰুত্বপূৰ্ণ অঞ্চল। বিশ্ব বাণিজ্যৰ এক বৃহৎ অংশ এই সমুদ্ৰপথেৰে সম্পন্ন হয়। সেয়েহে এই অঞ্চলত শান্তি, স্থিতিশীলতা আৰু সুৰক্ষা নিশ্চিত কৰাটো সকলো দেশৰ বাবে সমানভাৱে প্ৰয়োজনীয়।

অনুশীলনৰ আন এক উল্লেখযোগ্য দিশ আছিল ভাৰতীয় সেনাবাহিনীৰ উদ্যোগত আয়োজন কৰা স্বদেশী প্ৰতিৰক্ষা প্ৰযুক্তি প্ৰদৰ্শনী। 'আত্মনিৰ্ভৰ ভাৰত' অভিযানৰ অধীনত বিকশিত আধুনিক সামৰিক সঁজুলি, ড্ৰ'ন, নজৰদাৰী ব্যৱস্থা আৰু নতুন প্ৰজন্মৰ প্ৰতিৰক্ষা প্ৰযুক্তি অংশগ্ৰহণকাৰী দেশসমূহৰ আগত উপস্থাপন কৰা হয়।

বিশ্লেষকসকলৰ মতে, 'প্ৰগতি-২০২৬' কেৱল এক সামৰিক অনুশীলন নহয়; ই ভাৰতৰ কৌশলগত নেতৃত্ব, আঞ্চলিক সহযোগিতা আৰু আন্তঃৰাষ্ট্ৰীয় বিশ্বাসযোগ্যতাৰো প্ৰতিফলন। বিশেষকৈ উত্তৰ-পূৰ্বাঞ্চলক আন্তঃৰাষ্ট্ৰীয় কূটনৈতিক আৰু কৌশলগত মঞ্চ হিচাপে প্ৰতিষ্ঠা কৰাৰ ক্ষেত্ৰত এই অনুশীলনে নতুন মাত্ৰা যোগ কৰিছে।

# ৰাষ্ট্ৰীয় পৰ্যায়ত উজ্বলিল জোকতলী উ. মা. বিদ্যালয়

## নতুন দিল্লীত ধপাঁত মুক্ত ৰাষ্ট্ৰীয় বঁটা গ্ৰহণ

জন জন বিচাৰ
...✍ নাজিৰা

ভাৰত চৰকাৰৰ শিক্ষা মন্ত্ৰালয়ৰ উদ্যোগত আয়োজিত "বিদ্যালয় প্ৰত্যাহ্বান—ধপাতমুক্ত পৰিবেশ চম্ভাচপ্ত" প্ৰতিযোগিতাত শিৱসাগৰ জিলাৰ মেছাগড়স্থিত জোকতলী উচ্চতৰ মাধ্যমিক বিদ্যালয়ে ৰাষ্ট্ৰীয় পৰ্যায়ত সাফল্য লাভ কৰি "ধপাতমুক্ত প্ৰতিষ্ঠান বঁটা" অৰ্জন কৰিবলৈ সক্ষম হৈছে।



নতুন দিল্লীত অনুষ্ঠিত এক অনুষ্ঠানত বিদ্যালয়খনৰ হৈ শিক্ষয়িত্ৰী কৃত্তিকা মেধিয়ে বঁটা গ্ৰহণ কৰে।

দেশজুৰি ধপাতমুক্ত পৰিবেশ গঢ়াৰ লক্ষ্যৰে আয়োজিত এই প্ৰতিযোগিতাত বাটৰ নাট, পষ্টাৰ আৰু চিত্ৰকলা শাখাত বিদ্যালয়খনে অংশগ্ৰহণ কৰিছিল। অধ্যক্ষ ৰঞ্জন বুঢ়াগোহাঁইৰ বিশেষ উদ্যোগ, ন'ডেল শিক্ষক ঋতুৰাজ বৰুৱা, শিক্ষক ৰিতু বৰগোহাঞি আৰু মানস বৰগোহাঞিৰ নেতৃত্বত উপস্থাপিত কাৰ্যসূচীয়ে বিশেষ সমাদৰ লাভ কৰে।

# মহাকাশত জিলিকিল লোকটাক হ্ৰদৰ নাম

## মণিপুৰৰ বিজ্ঞানীৰ ঐতিহাসিক সাফল্য

জন জন বিচাৰ
...✍ নতুন দিল্লী

মণিপুৰৰ এজন যুৱ জ্যোতিৰ্বিজ্ঞানী ৰ'নাল্ডো লৈশ্ৰমে বিশ্বজুৰি উত্তেজনা সৃষ্টি কৰা এক অসাধাৰণ আৱিষ্কাৰৰ জৰিয়তে উত্তৰ-পূৰ্বাঞ্চলৰ গৌৰব বৃদ্ধি কৰিছে। তেওঁ আৰু এক আন্তঃৰাষ্ট্ৰীয় গৱেষক দলৰ নেতৃত্বত প্ৰায় ৰচছ বিলিয়ন আলোকবৰ্ষ দূৰত অৱস্থিত এক বিশাল আদিম গ্যালাক্সি গঠন আৱিষ্কাৰ কৰা হৈছে, যাৰ নাম দিয়া হৈছে "লোকটাক প্ৰ'টক্লাষ্টাৰ"।



মণিপুৰৰ থৌবাল জিলাৰ খাংগাবোকৰ বাসিন্দা চছ্ৰা বছৰীয়া ৰ'নাল্ডো বৰ্তমান জাপানৰ নেচনেল এষ্ট্ৰ'নমিকেল অবজাৰভেটৰী অৱ জাপানত পষ্ট-ডক্টৰেল গৱেষক হিচাপে কৰ্মৰত। তেওঁৰ এই গৱেষণা বিশ্বখ্যাত "দ্য এষ্ট্ৰ'ফিজিকেল জাৰ্নেল লেটাৰ্ছ"ত প্ৰকাশ পাইছে।

"প্ৰ'টক্লাষ্টাৰ" বুলিলে ভৱিষ্যতৰ বৃহৎ গ্যালাক্সি গুচ্ছৰ প্ৰাথমিক অৱস্থাক বুজায়। বিজ্ঞানীসকলে ইয়াক "গ্যালাক্সিৰ নগৰ" বুলিও অভিহিত কৰে। এই আৱিষ্কাৰ কৰা হৈছে নাছাৰ অত্যাধুনিক জেমছ ৱেব স্পেচ টেলিস্কোপ আৰু হাৱাইস্থিত ছুবাৰু টেলিস্কোপৰ সহায়ত।

ৰ'নাল্ডোৰ মতে, এই গৱেষণাই ব্ৰহ্মাণ্ডৰ আৰম্ভণি সময়ত গ্যালাক্সিসমূহ কেনেকৈ গঢ় লৈ উঠিছিল আৰু ঘন পৰিৱেশত কেনেদৰে বিকশিত হৈছিল, তাৰ বিষয়ে গুৰুত্বপূৰ্ণ তথ্য আগবঢ়াইছে। তেওঁ কয়, "চহৰ আৰু গাঁৱৰ মানুহৰ জীৱনধাৰা যেনেকৈ বেলেগ হয়, ঠিক তেনেদৰে ঘন মহাজাগতিক অঞ্চলত থকা গ্যালাক্সিসমূহো একাকী গ্যালাক্সিৰ তুলনাত বেলেগভাৱে বিকশিত হয়।"

এই গ্যালাক্সি গঠনটোৰ নাম "লোকটাক" ৰখাৰ আঁৰত আছে গভীৰ আবেগ। মণিপুৰৰ বিখ্যাত লোকটাক হ্ৰদৰ ভাসমান 'ফুমদি'সমূহৰ দৰে এই গ্যালাক্সি গঠনতো চাৰিটা সংযুক্ত অংশ দেখা গৈছিল। সেয়েহে নিজৰ মাতৃভূমিৰ পৰিচয় মহাবিশ্বৰ সৈতে জড়িত কৰিবলৈ তেওঁ এই নাম বাছনি কৰে।

উল্লেখযোগ্য যে, ৰজ্জু বছৰ বয়সতেই ৰ'নাল্ডোৱে এক গ্ৰহাণুৰ প্ৰাথমিক সন্ধান লাভ কৰিছিল আৰু চল্লৰপ্ত চনত প্ৰাক্তন ৰাষ্ট্ৰপতি ডঃ এ পি জে আব্দুল কালামে তেওঁক সন্মানিত কৰিছিল। আজি তেওঁৰ এই সফলতাই সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলৰ যুৱ সমাজক নতুন অনুপ্ৰেৰণা যোগাইছে।

## সম্পাদকীয়

# প্ৰতীকি ৰাজনীতিৰ বিষাক্ত যুগ

ভাৰতীয় ৰাজনীতি এতিয়া এক ভয়ংকৰ মোড়ত উপস্থিত হৈছে, য'ত নীতি, উন্নয়ন, শিক্ষা, নিবনুৱা সমস্যা বা অৰ্থনীতিৰ দৰে গুৰুত্বপূৰ্ণ বিষয়তকৈ অধিক শক্তিশালী হৈ উঠিছে প্ৰতীক আৰু আৱেগৰ ৰাজনীতি। তথাকথিত "ককৰোচ" মন্তব্যক লৈ দেশজুৰি সৃষ্টি হোৱা ডিজিটেল উত্তেজনাই সেই ভয়ংকৰ বাস্তৱতাক পুনৰ এবাৰ উন্মোচন কৰিলে।

এটা শব্দ, এটা মীম, এটা ভাইৰেল ক্লিপ- আৰু সমগ্ৰ ৰাজনৈতিক বিতৰ্ক হঠাতে মূল বিষয়ৰ পৰা আঁতৰি গ'ল। কোটি কোটি যুৱকৰ চাকৰিৰ সংকট, শিক্ষাব্যৱস্থাৰ অৱক্ষয়, মূল্যবৃদ্ধি, কৃষক সংকট বা স্বাস্থ্যখণ্ডৰ ব্যৰ্থতা- সকলো যেন মুহূৰ্ততে অদৃশ্য হৈ পৰিল। কাৰণ আজিৰ ৰাজনীতিত "চিন্তা"তকৈ "চমক" বেছি বিক্ৰী হয়।

বিৰোধী ৰাজনীতিৰ বাবে এনে বিতৰ্ক এতিয়া সহজ অস্ত্ৰ। কাৰণ নীতি-ভিত্তিক বিকল্প গঢ়াত যিমান পৰিশ্ৰম লাগে, এটা উত্তেজনাপূৰ্ণ মন্তব্যক ভাইৰেল কৰাত তাৰ এক শতাংশো নালাগে। সামাজিক মাধ্যমৰ অলগৰিদমেও যুক্তি নহয়, আৱেগকেই অধিক আগবঢ়ায়। ফলত গণতন্ত্ৰ ক্ৰমাৎ "নীতিৰ সংঘাত"ৰ পৰা "শব্দৰ যুদ্ধ"লৈ নামি আহিছে।

কিন্তু ইয়াৰ দায় কেৱল বিৰোধীৰ নহয়। শাসকশক্তি আৰু প্ৰতিষ্ঠানসমূহেও বুজিব লাগিব- জনতাৰ সৈতে সংলাপত সংবেদনশীলতা নাথাকিলে ক্ষোভ জমা হয়। গণতন্ত্ৰ কেৱল ৰাস্তা, সেতু আৰু জিডিপিৰ ওপৰত নাথাকে; ই জনবিশ্বাস, সন্মানবোধ আৰু আৱেগিক সংযোগৰ ওপৰতো নিৰ্ভৰ কৰে।

# ৰাজনীতি হওক জনমুখী, সনাতন বিৰোধী নহয়

জন জন বিচাৰ

...✍ সুভাষ চৌধৰী

ভাৰতীয় ৰাজনীতিৰ বৰ্তমান পৰিস্থিতিত এনে এক বিতৰ্ক ক্ৰমাগতভাৱে উত্থাপিত হৈছে, যিয়ে উন্নয়ন, শিক্ষা, স্বাস্থ্য, নিয়োগ আৰু সামাজিক ন্যায়ৰ দৰে মৌলিক বিষয়সমূহৰ পৰা ৰাজনৈতিক আলোচনাক আঁতৰাই ধৰ্মীয় পৰিচয় আৰু আস্থাৰ কেন্দ্ৰলৈ লৈ গৈছে। এই বিতৰ্ক হৈছে- সনাতন সমৰ্থন বনাম সনাতন বিৰোধ। আজিৰ ভাৰতত এফালে সনাতন সংস্কৃতিক ভাৰতীয় জীৱনৰ চিৰন্তন ভিত্তি বুলি মানি লোৱা শক্তিসমূহ আছে, আনফালে কিছুমান ৰাজনৈতিক মন্তব্য আৰু ধাৰণাক জনসাধাৰণে সনাতন বিৰোধী হিচাপে চাবলৈ আৰম্ভ কৰিছে।

মূল প্ৰশ্নটো এই নহয় যে কোনো চিন্তাধাৰাৰ সৈতে সহমত বা অসম্মতি কিয় আছে; মূল প্ৰশ্ন হৈছে- ৰাজনীতিৰ কেন্দ্ৰবিন্দু ধৰ্ম হ'ব লাগে নে জনজীৱনৰ বাস্তৱ সমস্যা? ভাৰতৰ গণতন্ত্ৰ এক ধৰ্মনিৰপেক্ষ সংবিধানৰ ওপৰত প্ৰতিষ্ঠিত, য'ত ৰাষ্ট্ৰৰ দায়িত্ব কোনো ধৰ্মৰ পক্ষে বা বিপক্ষে থিয় দিয়াটো নহয়, বৰং সকলো নাগৰিকৰ অধিকাৰ সুৰক্ষিত কৰা। ৰাজনৈতিক দলসমূহৰ দায়িত্বও সেই একেই- জনসাধাৰণৰ সমস্যা, উন্নয়ন আৰু ৰাষ্ট্ৰীয় ঐক্যক অগ্ৰাধিকাৰ দিয়া। কিন্তু বিগত কেইবছৰমানত ধৰ্মীয় বিতৰ্ক ৰাজনীতিৰ এক বৃহৎ কেন্দ্ৰবিন্দুত পৰিণত হৈছে।

সনাতন কেৱল ধৰ্মীয় শব্দ নহয়; ই ভাৰতীয় সভ্যতাৰ সাংস্কৃতিক চেতনা, জীৱন-দৰ্শন আৰু মূল্যবোধৰ প্ৰতীক। "সত্যং বদ, ধৰ্মং চৰ", "বসুধৈৱ কুটুম্বকম", "সৰ্বে ভৱন্তু সুখিনঃ"ৰ দৰে বাণীসমূহো এই সনাতন দৃষ্টিভংগীৰ অংশ। সেইবাবে, যেতিয়া কোনো ৰাজনৈতিক বক্তব্যত সনাতনৰ প্ৰতি অপমানজনক বা আক্ৰমণাত্মক ভাষা ব্যৱহাৰ কৰা হয়, তেতিয়া তাৰ প্ৰভাৱ কেৱল ধৰ্মীয় স্তৰত সীমাবদ্ধ নাথাকে; সাংস্কৃতিক আৰু আৱেগিক স্তৰতো গভীৰ প্ৰতিক্ৰিয়া সৃষ্টি কৰে।

তামিলনাডুত উদয়নিধি ষ্টেলিনয়ে সনাতন ধৰ্মক "ৰোগ"ৰ সৈতে তুলনা কৰা মন্তব্য এইকাৰণেই দেশজুৰি তীব্ৰ বিতৰ্কৰ বিষয় হৈছিল। বহু বিৰোধী দলে সেই মন্তব্যৰ পৰা নিজকে আঁতৰাই ৰাখিবলৈ চেষ্টা কৰিছিল, কাৰণ ভাৰতৰ দৰে দেশত কোটি কোটি লোকৰ আস্থাক আঘাত কৰা মন্তব্য ৰাজনৈতিকভাৱেও অস্বস্তিকৰ পৰিস্থিতিৰ সৃষ্টি কৰিব পাৰে।

ইয়াত বুজিব লাগিব যে দ্ৰাবিড় আন্দোলনৰ নিজস্ব ঐতিহাসিক আৰু সামাজিক পটভূমি আছে। ইয়াৰ মূল সংগ্ৰাম আছিল সামাজিক বৈষম্য আৰু জাতিগত আধিপত্যৰ বিৰুদ্ধে। কিন্তু যেতিয়া সামাজিক সংস্কাৰৰ আলোচনা সমগ্ৰ ধৰ্ম বা সংস্কৃতিৰ বিৰোধিতাৰ দৰে প্ৰতীয়মান হয়, তেতিয়া জনসমৰ্থন হ্ৰাস পাবলৈ আৰম্ভ কৰে।

আনহাতে, বহু বিৰোধী দলে নিজকে সনাতন বিৰোধী নহয়, বৰং সামাজিক কুসংস্কাৰ, জাতিবাদ আৰু বৈষম্যৰ বিৰোধী বুলি দাবী কৰে। তেওঁলোকৰ মতে, তেওঁলোকে সামাজিক ন্যায় আৰু সাংবিধানিক মূল্যবোধৰ পক্ষত কথা কয়। গণতন্ত্ৰত এই দৃষ্টিভংগী গ্ৰহণযোগ্য, কাৰণ প্ৰতিটো পৰম্পৰাৰ মাজতেই আত্মসমালোচনা আৰু সংস্কাৰৰ প্ৰয়োজন থাকে। ভাৰতীয় দৰ্শনতো আলোচনা, বিতৰ্ক আৰু আত্মবিশ্লেষণৰ সমৃদ্ধ পৰম্পৰা আছে। বুদ্ধ, মহাবীৰ, কবীৰ, নানক, দয়ানন্দ আৰু গান্ধী- সকলোৱে সমাজৰ অসংগতিৰ বিৰুদ্ধে প্ৰশ্ন উত্থাপন কৰিছিল, কিন্তু সমাজ ভাঙিবলৈ নহয়, সংস্কাৰৰ পথ দেখুৱাবলৈ।

সমস্যা তেতিয়াই আৰম্ভ হয়, যেতিয়া ৰাজনৈতিক ভাষাই ভাৰসাম্য হেৰুৱায়। সমালোচনা যদি সংস্কাৰৰ পৰিৱৰ্তে সম্পূৰ্ণ অস্বীকাৰৰ ভাষাত পৰিণত হয়, তেন্তে সেয়া সমাজত বিভাজন আৰু মেৰুকৰণ সৃষ্টি কৰে। ভাৰতৰ দৰে বহু-বৈচিত্ৰময় দেশত এই ধৰণৰ প্ৰৱণতা গণতন্ত্ৰৰ সুস্বাস্থ্যৰ বাবে শুভ নহয়।

নৰেন্দ্ৰ মোদীৰ নেতৃত্বত বিগত এক দশকত ভাৰতীয় ৰাজনীতিত সাংস্কৃতিক ৰাষ্ট্ৰবাদ আৰু হিন্দুত্বৰ বিতৰ্ক অধিক শক্তিশালী হৈ উঠিছে। ৰাম মন্দিৰ নিৰ্মাণ, কাশী বিশ্বনাথ কৰিডৰ, মহাকাল লোক আৰু সাংস্কৃতিক ঐতিহ্যৰ পুনৰুজ্জীৱনৰ দৰে বিষয়সমূহে বৃহৎ অংশৰ জনতাৰ মাজত সাংস্কৃতিক আত্মবিশ্বাস বৃদ্ধি কৰিছে। ইয়াৰ ফলত ভাৰতীয় জনতা পাৰ্টিয়ে ৰাজনৈতিক লাভো কৰিছে।

অন্যদিকে বহু বিৰোধী দল এই পৰিবৰ্তিত ৰাজনৈতিক মানসিকতা বুজিবলৈ অসুবিধাত পৰা দেখা গৈছে। কেতিয়াবা ধৰ্মনিৰপেক্ষতা আৰু আস্থাৰ মাজত ভাৰসাম্য ৰক্ষা কৰাত ব্যৰ্থ হৈছে, কেতিয়াবা কিছুমান নেতাৰ মন্তব্যই দলসমূহক সংকটত পেলাইছে। উত্তৰ প্ৰদেশৰ পৰা পশ্চিমবংগলৈকে নিৰ্বাচনত দেখা গৈছে যে কেৱল জাতিগত সমীকৰণ বা পৰম্পৰাগত ভোট বেংকৰ ওপৰত নিৰ্ভৰ কৰাই যথেষ্ট নহয়; জনতাই সাংস্কৃতিক পৰিচয়, উন্নয়ন আৰু ৰাষ্ট্ৰীয় আলোচনাকো সমান গুৰুত্ব দিবলৈ আৰম্ভ কৰিছে।

কিন্তু ইয়াৰ অৰ্থ এইনহয় যে ৰাজনীতিৰ একমাত্ৰ উদ্দেশ্য ধৰ্মীয় পৰিচয়ৰ ভিত্তিত সমৰ্থন সংগ্ৰহ কৰা। দেশত নিবনুৱা সমস্যা, শিক্ষা, স্বাস্থ্য, পৰিৱেশ, কৃষি সংকট, অৰ্থনৈতিক বৈষম্য আৰু সামাজিক ভাঙোনৰ দৰে বহু গুৰুত্বপূৰ্ণ সমস্যা আছে। এই বিষয়সমূহক উপেক্ষা কৰি কেৱল ধৰ্মীয় মেৰুকৰণৰ ৰাজনীতি কোনো ৰাষ্ট্ৰৰ স্থায়ী অগ্ৰগতিত সহায়ক হ'ব নোৱাৰে।

আজিৰ ভাৰতত প্ৰয়োজন হৈছে- "ধৰ্ম বনাম ধৰ্ম"ৰ ৰাজনীতিৰ পৰা ওলাই "জনতা বনাম জনসমস্যা"ৰ আলোচনালৈ অগ্ৰসৰ হোৱা। ৰাজনৈতিক দলসমূহে বুজিব লাগিব যে জনতাই মন্দিৰো বিচাৰে, নিয়োগো বিচাৰে; আস্থাও বিচাৰে, সুযোগো বিচাৰে; সংস্কৃতিও বিচাৰে, আধুনিকতাও বিচাৰে।

যদি কোনো পৰম্পৰাৰ সংস্কাৰৰ কথা ক'ব লাগে, তেন্তে সেয়া সন্মানজনক ভাষা আৰু গঠনমূলক দৃষ্টিভংগীৰে কোৱা উচিত। সামাজিক ন্যায় মানে সাংস্কৃতিক অস্বীকাৰ নহয়, আৰু সাংস্কৃতিক ৰাষ্ট্ৰবাদ মানে আন মতাদৰ্শৰ সম্পূৰ্ণ নাকচ কৰাও নহয়।

ভাৰতীয় সভ্যতাৰ মূল শক্তি হৈছে ইয়াৰ বৈচিত্ৰ আৰু সহিষ্ণুতা। ইয়াত শংকৰাচাৰ্যও আছে, বুদ্ধও আছে, মহাবীৰও আছে, কবীৰও আছে, বেদো আছে আৰু সংবিধানো আছে। ভাৰত সদায় সংঘাততকৈ আলোচনাক অধিক গুৰুত্ব দি আহিছে। সেইবাবে ৰাজনীতিৰ দায়িত্বো হৈছে সমাজক একত্ৰিত কৰা ভাষা ব্যৱহাৰ কৰা। আজিৰ বিশ্ব যেতিয়া সংঘাত, সাংস্কৃতিক উত্তেজনা আৰু পৰিচয়ৰ ৰাজনীতিৰে জৰ্জৰিত, তেতিয়া ভাৰতৰ হাতত আছে "বসুধৈৱ কুটুম্বকম"ৰ বাণী। এইটোৱেই সনাতনৰ প্ৰকৃত স্বৰূপ- সহাবস্থান, সহমৰ্মিতা আৰু সামগ্ৰিকতা।

ৰাজনৈতিক দলসমূহে আত্মবিশ্লেষণ কৰিব লাগিব যে তেওঁলোকে দেশক কোন দিশলৈ লৈ যাব বিচাৰে- ধৰ্মীয় সংঘাতৰ দিশে নে ৰাষ্ট্ৰ নিৰ্মাণৰ দিশে? যদি ৰাজনীতি কেৱল আস্থাৰ সংঘাতত আবদ্ধ হৈ থাকে, তেন্তে জনজীৱনৰ বাস্তৱ সমস্যাসমূহ পিছ পৰি থাকিব। কিন্তু যদি সংস্কৃতিক সন্মান জনাই উন্নয়ন, শিক্ষা, স্বাস্থ্য আৰু সামাজিক সম্প্ৰীতিক ৰাজনীতিৰ কেন্দ্ৰবিন্দু কৰা হয়, তেন্তে ভাৰত অধিক শক্তিশালী আৰু সুসমতাপূৰ্ণ ৰাষ্ট্ৰ হিচাপে আগবাঢ়িব।

সনাতনৰ অৰ্থ হৈছে চিৰন্তন, আৰু চিৰন্তন সেইটোৱেই যিয়ে সকলোকে লগত লৈ আগবাঢ়ে। সেইবাবে অন্ধ সমৰ্থন বা অন্ধ বিৰোধ- কোনোটোৱেই সমাধান নহয়। প্ৰয়োজন বিবেকসম্পন্ন দৃষ্টিভংগী, ভাৰসাম্যপূৰ্ণ ৰাজনীতি আৰু ৰাষ্ট্ৰীয় স্বাৰ্থক সৰ্বোচ্চ স্থান দিয়াৰ। তেতিয়াহে গণতন্ত্ৰও শক্তিশালী হ'ব আৰু সমাজো অধিক সমন্বিত হৈ উঠিব।

## গাজিয়াবাদত এনকাউণ্টাৰ

নতুন দিল্লী। উত্তৰ প্ৰদেশৰ গাজিয়াবাদৰ বহুচৰ্চিত সূৰ্য চৌহান হত্যা কাণ্ডৰ মূল অভিযুক্ত আছাদ আৰক্ষীৰ সৈতে হোৱা সংঘৰ্ষত নিহত হৈছে। আৰক্ষীৰ তথ্য অনুসৰি, ২৮ মে'ত বকৰি ঈদৰ দিনা খোড়া থানা এলেকাত ১৭ বছৰীয়া সূৰ্য চৌহানক ছুৰীৰে আক্ৰমণ কৰি হত্যা কৰাৰ অভিযোগ আছিল আছাদৰ বিৰুদ্ধে। অভিযুক্তজনৰ মূৰত ৫০ হাজাৰ টকাৰ পুৰস্কাৰো ঘোষণা কৰা হৈছিল। ৩০ মে নিশা আৰক্ষীয়ে বসুন্ধৰা অঞ্চলত তালাচী অভিযান চলাই থকা সময়ত আছাদ আৰু তেওঁৰ এজন সহযোগীক দেখা পায়। আৰক্ষীয়ে ৰ'বলৈ সংকেত দিয়াত অভিযুক্তই গুলীচালনা কৰে বুলি অভিযোগ। ইয়াৰ পিছত আৰক্ষীৰ প্ৰত্যুত্তৰমূলক গুলীত আছাদ আহত হয়। পিছত চিকিৎসালয়লৈ নিয়াৰ পিছত চিকিৎসকে তেওঁক মৃত ঘোষণা কৰে। আনহাতে, তেওঁৰ সহযোগীজন ঘটনাস্থলীৰ পৰা পলায়ন কৰিবলৈ সক্ষম হয়।

## টিএমচিৰ নেতাসকলৰ ওপৰত আক্ৰমণ

**কলকাতা।** পশ্চিমবঙ্গত তৃণমূল কংগ্ৰেছ (টি এম চি) শীৰ্ষ নেতাসকলৰ ওপৰত ধাৰাবাহিক আক্ৰমণৰ ঘটনাই ৰাজ্যখনৰ ৰাজনৈতিক পৰিৱেশ উত্তপ্ত কৰি তুলিছে। সাংসদ অভিষেক বন্দযোপাধ্যায়ৰ ওপৰত আক্ৰমণৰ অভিযোগৰ পিছতে এইবাৰ দলটোৰ জ্যেষ্ঠ সাংসদ কল্যাণ বন্দযোপাধ্যায়ো আক্ৰমণৰ সন্মুখীন হোৱা বুলি অভিযোগ উত্থাপন হৈছে।

জানিব পৰা মতে, হুগলীৰ চণ্ডীতলাত আৰক্ষী থানালৈ এখন স্মাৰকলিপি দাখিল কৰিবলৈ যোৱাৰ সময়ত একাংশ প্ৰতিবাদকাৰীয়ে কল্যাণ বন্দযোপাধ্যায়ৰ বাহন ৰখাই ক'লা পতাকা প্ৰদৰ্শন কৰাৰ লগতে বিক্ষোভ সাব্যস্ত কৰে। ঘটনাৰ সময়ত তেওঁ আঘাতপ্ৰাপ্ত হোৱা বুলিও জানিব পৰা গৈছে।

ইয়াৰ পূৰ্বে দক্ষিণ ২৪ পৰগনাৰ সোণাৰপুৰত তৃণমূল কংগ্ৰেছৰ ৰাষ্ট্ৰীয় সাধাৰণ সম্পাদক তথা সাংসদ অভিষেক বন্দযোপাধ্যায়ৰ কনভয় লক্ষ্য কৰিও আক্ৰমণ সংঘটিত হৈছিল। সেই ঘটনাত কনভয়লৈ কণী আৰু ইটা নিক্ষেপ কৰাৰ অভিযোগ উত্থাপিত হৈছিল।

# ভাৰতত আহিব প্লাষ্টিক নোট!

## আৰবিআইৰ চিন্তাই উসকে দিছে নতুন বিতৰ্ক

জন জন বিচাৰ
...✍ নতুন দিল্লী

ভাৰতীয় মুদ্ৰা ব্যৱস্থাত এক ঐতিহাসিক পৰিৱৰ্তনৰ সম্ভাৱনা দেখা দিছে। দেশবাসীৰ হাতত বহু দশক ধৰি চলি অহা কাগজৰ নোটৰ ঠাই ল'ব পাৰে প্লাষ্টিক বা পলিমাৰ নোটে। ভাৰতীয় ৰিজাৰ্ভ বেংকে ফটা-পুৰণা নোটৰ সমস্যা হ্ৰাস কৰা, জাল নোটৰ বিৰুদ্ধে অধিক সুৰক্ষা নিশ্চিত কৰা আৰু মুদ্ৰা ছপোৱাৰ ব্যয় কমোৱাৰ লক্ষ্যৰে প্লাষ্টিক নোট প্ৰৱৰ্তনৰ সম্ভাৱনা পৰ্যালোচনা কৰি আছে।

যদি এই পৰিকল্পনা বাস্তৱায়িত হয়, তেন্তেই ভাৰতৰ অৰ্থনীতি আৰু দৈনন্দিন লেনদেন ব্যৱস্থাত এক যুগান্তকাৰী পৰিৱৰ্তন আনিব।



## কি এই প্লাষ্টিক নোট?

প্লাষ্টিক নোট সাধাৰণ প্লাষ্টিকেৰে নিৰ্মিত নহয়। ইয়াক বিশেষ ধৰণৰ পলিমাৰ নামৰ কৃত্ৰিম পদাৰ্থেৰে প্ৰস্তুত কৰা হয়। বৰ্তমান ভাৰতত চলি থকা নোটসমূহ মূলতঃ কপাহ আৰু বিশেষ তন্তুৰ মিশ্ৰণেৰে তৈয়াৰ কৰা হয়। গৰম, আৰ্দ্ৰতা, পানী, ঘাম আৰু ঘন ব্যৱহাৰৰ ফলত এই নোটসমূহ সহজেই ছিঙি যায়, মলি লাগে আৰু ব্যৱহাৰৰ অনুপযুক্ত হৈ পৰে।

**আৰবিআই আগ্ৰহী ঃ** ৰিজাৰ্ভ বেংকৰ তথ্য অনুসৰি, ভাৰতত প্ৰচলিত নগদ ধনৰ পৰিমাণ বিশ্বৰ অন্যতম বৃহৎ। দৈনিক কোটি কোটি টকাৰ নোট হাত সলনি হয়। এই পৰিস্থিতিত নোটৰ আয়ুস বৃদ্ধি কৰাটো আৰবিআইৰ বাবে এক ডাঙৰ প্ৰয়োজন। বিশেষজ্ঞসকলৰ মতে, পলিমাৰ নোট কাগজৰ নোটতকৈ তিনিৰ পৰা চাৰিগুণ অধিক সময় টিকে। সেয়েহে প্ৰথম অৱস্থাত উৎপাদন ব্যয় বেছি হ'লেও দীৰ্ঘম্যাদত চৰকাৰৰ বিপুল ধন ৰাহি হ'ব পাৰে।

### জাল নোটৰ বিৰুদ্ধে শক্তিশালী অস্ত্ৰ

**ভাৰত বহু বছৰ ধৰি জাল নোটৰ সমস্যাৰ সন্মুখীন হৈ আহিছে। বিশেষকৈ উচ্চ মূল্যৰ নোটসমূহ জালিয়াতিৰ লক্ষ্য হৈ পৰে।**

**পলিমাৰ নোটত সংযোজন কৰিব পৰা যায়- স্বচ্ছ জাননী, উন্নতমানৰ হ'লোগ্ৰাম, মাইক্ৰ' টেক্সট, বিশেষ সুৰক্ষা স্তৰ, জটিল ডিজিটেল চিহ্ন**

**এই সুৰক্ষা ব্যৱস্থাসমূহৰ বাবে জাল নোট প্ৰস্তুত কৰাটো প্ৰায় অসম্ভৱ হৈ পৰে। সেয়েহে দেশৰ আৰ্থিক সুৰক্ষাৰ ক্ষেত্ৰত প্লাষ্টিক নোট এক গুৰুত্বপূৰ্ণ পদক্ষেপ হিচাপে গণ্য কৰা হৈছে।**


# আকাশত বিস্ফোৰিত মহাজাগতিক অতিথি

জন জন বিচাৰ
...✍ নতুন দিল্লী

বিশ্বব্ৰহ্মাণ্ডৰ অসীম বিস্তাৰৰ মাজত প্ৰতিক্ষণেই অসংখ্য মহাজাগতিক ঘটনা সংঘটিত হৈ থাকে। কিন্তু কেতিয়াবা এনে কোনো ঘটনা পৃথিৱীৰ বাসিন্দাসকলেও প্ৰত্যক্ষভাৱে অনুভৱ কৰাৰ সুযোগ লাভ কৰে। শেহতীয়াকৈ আমেৰিকাৰ উত্তৰ-পূৰ্বাঞ্চলৰ আকাশত সংঘটিত এক বিশাল উল্কাপিণ্ড বিস্ফোৰণে তেনে এক অভিজ্ঞতাই কঢ়িয়াই আনিছে। আকাশত জ্বলি উঠা এক বিশাল অগ্নিগোলক, তাৰ পিছতে প্ৰচণ্ড শব্দ-মুহূৰ্তৰ ভিতৰতে কঁপি উঠিল বহু অঞ্চলৰ ঘৰ-বাৰী। বহু লোকে প্ৰথমে ভূমিকম্প বা বিস্ফোৰণ হোৱা বুলি ভাবিছিল।

৩১ মে'ত প্ৰকাশিত বিভিন্ন আন্তঃৰাষ্ট্ৰীয় সংবাদসূত্ৰ অনুসৰি, স্থানীয় সময় অনুসাৰে শনিবাৰে দুপৰীয়া ২ বাজি ৬ মিনিটত মেছাচুচেটছ আৰু নিউ হেম্পশ্বায়াৰৰ আকাশত এই নাটকীয় ঘটনাটো সংঘটিত হয়। নাছাৰ বিজ্ঞানীসকলৰ মতে, প্ৰায় তিনি ফুট ব্যাসৰ এই উল্কাপিণ্ডটোৱে ঘণ্টাত প্ৰায় ১,২০,৭০০ কিলোমিটাৰ বেগেৰে পৃথিৱীৰ বায়ুমণ্ডলত প্ৰৱেশ কৰিছিল।

পৃথিৱীৰ পৰা প্ৰায় ৬৪ কিলোমিটাৰ উচ্চতাত উপনীত হোৱাৰ পিছত বায়ুমণ্ডলীয় চাপ আৰু ঘৰ্ষণৰ ফলত উল্কাপিণ্ডটো হঠাতে টুকুৰা-টুকুৰ হৈ বিস্ফোৰিত হয়।



## কি এই 'ছনিক বুম'?

যেতিয়া কোনো বস্তু শব্দৰ বেগতকৈ অধিক বেগেৰে গতি কৰে, তেতিয়া তাৰ আগফালে বায়ুৰ চাপ সঞ্চিত হৈ থাকে। এই চাপ হঠাতে মুক্তি পালে এক প্ৰচণ্ড শব্দৰ সৃষ্টি হয়, যাক 'ছনিক বুম' বোলা হয়। যুদ্ধবিমানৰ ক্ষেত্ৰতো এনে শব্দ শুনা যায়। কিন্তু এইবাৰ সেই শব্দৰ উৎস আছিল মহাকাশৰ পৰা অহা এক প্ৰাকৃতিক শিলাখণ্ড।

## ভূমিকম্প নহয়, মহাজাগতিক বিস্ফোৰণ

বিস্ফোৰণৰ পিছতে বহু আতংকিত নাগৰিকে আৰক্ষী আৰু আমেৰিকাৰ ভূতাত্বিক সমীক্ষা সংস্থা (যুএচজীএচ) ক অভিযোগ জনায়। বহুতে ভূমিকম্প হোৱা বুলি সন্দেহ কৰিছিল। কিন্তু যুএচজীএচ-এ জনায় যে অঞ্চলটোত কোনো ভূমিকম্পীয় ক্ৰিয়াকলাপ ধৰা পৰা নাই। সেয়েহে কম্পনৰ একমাত্ৰ কাৰণ আছিল উল্কাপিণ্ড বিস্ফোৰণৰ ফলত সৃষ্টি হোৱা ছনিক বুম। নাছাৰ উপ-সংবাদপ্ৰধান জেনিফাৰ ড'ৰেনে স্পষ্ট কৰি দিয়ে যে এই বস্তুটো কোনো কৃত্ৰিম উপগ্ৰহৰ ধ্বংসাৱশেষ বা মহাকাশীয় আৱৰ্জনা নাছিল। ই আছিল এক সম্পূৰ্ণ প্ৰাকৃতিক উল্কাপিণ্ড।

### মহাকাশৰ পৰা অহা সতৰ্কবাণী

এই ঘটনাই পুনৰ এবাৰ স্মৰণ কৰাই দিয়ে যে পৃথিৱী কোনো পৃথক জগত নহয়; ই এক বিশাল মহাজাগতিক পৰিৱেশৰ অংশ। বিজ্ঞান আৰু প্ৰযুক্তিৰ উন্নতিৰ ফলত আজিকালি এনে বস্তুৰ গতি-পথ নিৰীক্ষণ কৰা সম্ভৱ হৈছে যদিও মহাকাশৰ সকলো বিপদ সম্পূৰ্ণৰূপে আগতীয়াকৈ চিনাক্ত কৰা এতিয়াও সহজ নহয়। আমেৰিকাৰ আকাশত সংঘটিত এই বিস্ময়কৰ ঘটনাই একাধাৰে বিজ্ঞানীসকলক নতুন তথ্য প্ৰদান কৰিছে আৰু সাধাৰণ মানুহক মহাবিশ্বৰ অপাৰ শক্তি আৰু ৰহস্যৰ বিষয়ে পুনৰ চিন্তা কৰিবলৈ বাধ্য কৰিছে। আকাশৰ সেই ক্ষণিকৰ অগ্নিগোলক যেন এক মুহূৰ্তৰ বাবে সমগ্ৰ মানবজাতিক সোঁৱৰাই দিলে- আমাৰ ওপৰত এতিয়াও অসংখ্য অজানা জগতৰ নীৰৱ নজৰ আছে।

## পৃথিৱীৰ বাবে কিমান বিপদজনক?

বিশেষজ্ঞসকলৰ মতে, অধিকাংশ উল্কাপিণ্ড পৃথিৱীৰ বায়ুমণ্ডলত প্ৰৱেশ কৰাৰ পিছতেই জ্বলি নষ্ট হয়। এই ক্ষেত্ৰতো উল্কাপিণ্ডটোৰ অধিকাংশ অংশ আকাশতেই ধ্বংস হৈছিল। যদিও কিছুমান ক্ষুদ্ৰ অংশ বৈ যোৱাৰ সম্ভাৱনা আছে, তথাপিও সেয়া সাগৰত পৰাৰ সম্ভাৱনাই অধিক।

আমেৰিকান মিটিয়ৰ ছ'চাইটিৰ বিশেষজ্ঞ ৰবাৰ্ট লান্সফ'ৰ্ডৰ মতে, এই ঘটনা সাধাৰণতে দেখা পোৱা 'ফায়াৰবল' উল্কাতকৈ যথেষ্ট ডাঙৰ আছিল। তথাপিও পৃথিৱীত ডাঙৰ ক্ষতি কৰাৰ সম্ভাৱনা অতি কম আছিল।

# মোবাইলত বন্দী শৈশৱ

জন জন বিচাৰ
...✍ ৰামেশ্বৰ শৰ্মা

এসময়ত শিশুৰ শৈশৱ মানেই আছিল খেলপথাৰ, গছ-গছনি, বন্ধু-বান্ধৱ আৰু মুক্ত আকাশৰ তলত দৌৰ-ধাপ। কিন্তু ডিজিটেল যুগত সেইছবি সলনি হৈছে। আজিৰ অধিকাংশ শিশুৰ হাতত বল বা বেটৰ সলনি দেখা যায় মোবাইল ফোন, টেবলেট আৰু ভিডিঅ' গেম। বিদ্যালয়ৰ পৰা ঘৰলৈ আহিয়েই বহু শিশুৱে ঘণ্টাৰ পিছত ঘণ্টা পৰ্দাৰ সন্মুখত সময় কটায়।

শেহতীয়াকৈ ফিনলেণ্ডৰ ইষ্টাৰ্ণ ফিনলেণ্ড বিশ্ববিদ্যালয়ত সম্পন্ন হোৱা এক গৱেষণাই এই অভ্যাসৰ ভয়াৱহ পৰিণামৰ বিষয়ে সতৰ্কবাণী জাৰি কৰিছে। গৱেষণাত দেখা গৈছে যে শৈশৱ আৰু কৈশোৰত অধিক সময় বহি থকা আৰু স্ক্ৰীণৰ সন্মুখত অতিবাহিত কৰা শিশুসকলৰ ভৱিষ্যতে হৃদৰোগৰ আশংকা যথেষ্ট বৃদ্ধি পায়।

গৱেষকসকলে বহু বছৰৰ বাবে হাজাৰ হাজাৰ শিশুৰ স্বাস্থ্য আৰু জীৱনশৈলী পৰ্যবেক্ষণ কৰি দেখা পায় যে বয়স বৃদ্ধিৰ লগে লগে শাৰীৰিক সক্ৰিয়তা কমি আহে আৰু বহি থকা সময় বৃদ্ধি পায়। ইয়াৰ ফলত হৃদযন্ত্ৰৰ স্বাভাৱিক গঠনত পৰিৱৰ্তন ঘটে, যিয়ে পৰৱৰ্তী জীৱনত হৃদআক্ৰমণ, উচ্চৰক্তচাপ আৰু ষ্ট্ৰ'কৰ আশংকা বৃদ্ধি কৰিব পাৰে।

কেৱল হৃদযন্ত্ৰইনহয়, অত্যাধিক স্ক্ৰীণ টাইমে শিশুৰ মানসিক আৰু সামাজিক বিকাশতো নেতিবাচক প্ৰভাৱ পেলায়। মনোযোগ ক্ষমতা হ্ৰাস, পঢ়া-শুনাৰ প্ৰতি অনাগ্ৰহ, নিদ্ৰাহীনতা, খং বৃদ্ধি আৰু সামাজিক সম্পৰ্ক দুৰ্বল হোৱাৰ দৰে সমস্যাও দেখা দিব পাৰে।



**অধিক সময় মোবাইল বা ভিডিঅ' গেমত ব্যস্ত থাকিলে-**
মনোযোগ ক্ষমতা হ্ৰাস পায়। পঢ়া-শুনাৰ প্ৰতি আগ্ৰহ কমে।
খং আৰু অধৈৰ্যতা বৃদ্ধি পায়। সামাজিক যোগাযোগ হ্ৰাস পায়।
নিদ্ৰাহীনতা আৰু উদ্বেগজনিত সমস্যা দেখা দিয়ে।
শাৰীৰিক স্থূলতাৰ আশংকা বৃদ্ধি পায়।

বিশেষজ্ঞসকলৰ মতে, অভিভাৱকসকলেই এই সমস্যাৰ সমাধানৰ মূল চাবিকাঠি। শিশুসকলক খেল-ধেমালি, ক্ৰীড়া-চৰ্চা আৰু পৰিয়ালৰ সৈতে সময় কটাবলৈ উৎসাহিত কৰাৰ লগতে মোবাইল ব্যৱহাৰত সীমা নিৰ্ধাৰণ কৰাটো অত্যন্ত জৰুৰী।

শৈশৱ জীৱনৰ আটাইতকৈ মূল্যৱান সময়। সেয়েহে শিশুক মোবাইলৰ ক্ষুদ্ৰ পৰ্দাৰ পৰা আঁতৰাই খেলপথাৰ আৰু বাস্তৱ জগতৰ সৈতে সংযোগ ঘটোৱাটোৱেই সুস্থ, সবল আৰু সুখী ভৱিষ্যৎ গঢ়াৰ অন্যতম উপায়।

# শব্দ, সাহিত্য আৰু আত্মাৰ সেতুবন্ধন

জন জন বিচাৰ
...✍ গুৱাহাটী




**আৰ জি ইউৰ "ৰিভাৰ টকছ—শব্দকল্প" উদ্যোগে গুৱাহাটীলৈ আনিলে নতুন সাহিত্যিক জাগৰণ**

ব্ৰহ্মপুত্ৰৰ পাৰত গঢ় লৈ উঠা গুৱাহাটী চহৰ ধীৰে ধীৰে কেৱল বাণিজ্যিক বা শিক্ষানগৰী হিচাপে নহয়, সাহিত্য-সংস্কৃতিৰো এক শক্তিশালী কেন্দ্ৰ হিচাপে আত্মপ্ৰকাশ কৰি আছে। এই পৰিপ্ৰেক্ষিতত "দ্য আছাম ৰয়েল গ্ল'বেল ইউনিভাৰ্চিটি"-এ আৰম্ভ কৰা নতুন মাসিক সাহিত্যিক শৃংখলা "ৰিভাৰ টকছ—শব্দকল্প" ক সাহিত্যপ্ৰেমী সমাজে স্বাগত জনাইছে।

বিশ্ববিদ্যালয়ৰ ডি ব্লকৰ ছেমিনাৰ হলত "পইট্ৰী অৱ দ্য ছ'ল" শীৰ্ষক বিষয়ক লৈ এই সাহিত্যিক অনুষ্ঠানৰ শুভাৰম্ভ হয়। বিশ্ববিদ্যালয় কৰ্তৃপক্ষৰ মতে, অসমৰ লগতে সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলৰ সাহিত্য, ভাষা আৰু সৃষ্টিশীল চিন্তাক এক নতুন মঞ্চ দিয়াই এই উদ্যোগৰ মূল লক্ষ্য।

অনুষ্ঠানত বিশ্ববিদ্যালয়ৰ অনাৰাৰী চ্যান্সেলৰ ডাঃ এ. কে. পানছাৰী, উপাচাৰ্য অধ্যাপক অলক কুমাৰ বুৰাগোহাঁই, বিভিন্ন বিভাগৰ অধ্যাপক-অধ্যাপিকা, সাহিত্যিক আৰু বহু সংখ্যক শিক্ষাৰ্থীয়ে অংশগ্ৰহণ কৰে।

এই সাহিত্যিক আয়োজনৰ বিশেষত্ব আছিল "তিনিজন কবি আৰু এজন ভাষ্যকাৰ" ধৰণৰ উপস্থাপনা। বিশিষ্ট সাহিত্যিক আৰু কবিসকলৰ কবিতা পাঠ, ব্যক্তিগত সাহিত্যিক অভিজ্ঞতা আৰু সৃষ্টিশীল যাত্ৰাৰ কথোপকথনে অনুষ্ঠানক এক গভীৰ বৌদ্ধিক আৰু আবেগিক মাত্ৰা প্ৰদান কৰে।

বিশিষ্ট কবি তথা "গুৱাহাটী বিশ্ববিদ্যালয়"-ৰ অধ্যাপক এম. কামালুদ্দিন আহমেদ, কবি-গৱেষক ডাঃ নম্ৰতা পাঠক আৰু লেখক-অনুবাদক ডাঃ বিজয় শংকৰ বৰ্মনে নিজৰ কবিতা পাঠ কৰাৰ লগতে সাহিত্যৰ সামাজিক দায়বদ্ধতা সন্দৰ্ভতো গুৰুত্বপূৰ্ণ মতামত আগবঢ়ায়।

অসমীয়াৰ পৰা ইংৰাজীলৈ কবিতাৰ অনুবাদ উপস্থাপনে অনুষ্ঠানক এক নতুন মাত্ৰা দিয়ে। অধ্যাপক সত্যকি দিকস্তু ভূঞা আৰু ডাঃ আয়ুষ্মান দেৱৰাজে কবিতাৰ অনুবাদ পাঠ কৰি ভাষাৰ সীমা অতিক্ৰম কৰা সাহিত্যৰ শক্তিক উজাগৰ কৰে।

এই আয়োজনত "ৰেড ৰিভাৰ"ৰ প্ৰতিষ্ঠাপক তথা প্ৰকাশক দিব্যজ্যোতি শৰ্মাই ভাষ্যকাৰ হিচাপে অংশ লৈ কবিসকলৰ সৈতে এক অন্তৰংগ সাহিত্যিক আলোচনা আগবঢ়ায়। সাহিত্যৰ নতুন ধাৰা, ডিজিটেল যুগত কবিতাৰ প্ৰাসংগিকতা আৰু যুৱ প্ৰজন্মৰ সৃষ্টিশীল মনোভাৱ সন্দৰ্ভত হোৱা এই আলোচনা উপস্থিত শ্ৰোতাসকলৰ মাজত গভীৰ আগ্ৰহৰ সৃষ্টি কৰে।

শিক্ষক-শিক্ষাৰ্থীৰ কবিতা পাঠেও অনুষ্ঠানত বিশেষ ৰং যোগায়। কৃশদীপ্তা পাঠক, পশ্চিমবঙ্গৰ ডাঃ প্ৰবুদ্ধ ঘোষ আৰু ডাঃ শাশ্বতী বৰদলৈয়ে নিজা মৌলিক কবিতা পাঠ কৰি সাহিত্যিক পৰিৱেশ অধিক সমৃদ্ধ কৰি তোলে।

আজিৰ সময়ত যেতিয়া সমাজ ধীৰে ধীৰে মোবাইল স্ক্ৰ'লিং, কৃত্ৰিম বুদ্ধিমত্তা আৰু চমু মনোৰঞ্জনৰ মাজত সীমাবদ্ধ হৈ পৰিছে, তেনে সময়ত সাহিত্যকেন্দ্ৰিক এনে উদ্যোগ এক আশাৰ বতৰা। সাহিত্য কেৱল বিনোদন নহয়-ই সমাজৰ আত্মা, ভাষাৰ স্পন্দন আৰু সভ্যতাৰ স্মৃতি।

"ৰিভাৰ টকছ—শব্দকল্প" কেৱল বিশ্ববিদ্যালয়ৰ অনুষ্ঠান নহয়; ই অসমৰ সাহিত্য-সংস্কৃতিৰ ভৱিষ্যৎ গঢ়াৰ এক চিন্তাশীল প্ৰয়াস। যদি এনে মঞ্চ নিয়মীয়াকৈ সক্ৰিয় থাকে, তেন্তে আগন্তুক দিনত অসমৰ বহু নতুন কবি, লেখক আৰু চিন্তাবিদ ইয়াৰ পৰা ওলাই আহিব পাৰে।

বিশ্ববিদ্যালয় কৰ্তৃপক্ষই জনোৱা মতে, এই মাসিক সাহিত্যিক শৃংখলাৰ পৰৱৰ্তী সংস্কৰণসমূহত নতুন নতুন সাহিত্যিক বিষয় অন্তৰ্ভুক্ত কৰা হ'ব।

সাহিত্যৰ জৰিয়তে সমাজক সংযুক্ত কৰাৰ এই প্ৰয়াসে গুৱাহাটী তথা অসমত এক নতুন সাংস্কৃতিক জাগৰণৰ সূচনা কৰিব বুলিয়েই সচেতন মহলে আশা প্ৰকাশ কৰিছে।

# জাগীৰোড মহাবিদ্যালয় আৰু শব্দ ভাৰতীৰ মাজত এমঅ'ইউ স্বাক্ষৰ

জন জন বিচাৰ
...✍ গুৱাহাটী

জাগীৰোড মহাবিদ্যালয় স্বায়ত্তশাসিত আৰু গুৱাহাটীৰ শব্দ ভাৰতী হিন্দী সম্পদ কেন্দ্ৰৰ মাজত এক গুৰুত্বপূৰ্ণ বুজাবুজি চুক্তি এমঅ'ইউ স্বাক্ষৰিত হয়। ভাষা প্ৰযুক্তি, নিয়োগমুখী প্ৰশিক্ষণ, কাৰিকৰী শিক্ষা, শৈক্ষিক কৰ্মশালা আৰু আলোচনা চক্ৰ আদি বিষয়ক কেন্দ্ৰ কৰি এই চুক্তি সম্পন্ন কৰা হয়। চুক্তি অনুসৰি মহাবিদ্যালয় চৌহদত শিক্ষাৰ্থীৰ বাবে বিভিন্ন নিয়োগমুখী প্ৰশিক্ষণ, একাডেমিক কৰ্মশালা, আলোচনা চক্ৰ আদিৰ আয়োজন কৰাৰ লগতে শ্ৰীমন্ত শংকৰদেৱ অধ্যয়ন কেন্দ্ৰৰ বহুমুখী বিকাশৰ ক্ষেত্ৰতো পদক্ষেপ গ্ৰহণ কৰা হ'ব। অসমৰ লগতে উত্তৰ-পূৰ্বাঞ্চলৰ আন শিক্ষানুষ্ঠানসমূহকো এই কাৰ্যসূচীত অন্তৰ্ভুক্ত কৰাৰ প্ৰয়াস চলোৱা হ'ব বুলি জানোৱা হয়।



জাগীৰোড মহাবিদ্যালয়ৰ ফালৰ পৰা অধ্যক্ষ ডাঃ ভৱেন চন্দ্ৰ নেওগ, ডাঃ কণিমা পাঠক, ডাঃ গাৰ্গী ফুকন, ডাঃ ওমপ্ৰকাশ ডেকা আৰু ড. চি. আৰ. চৰকাৰে স্বাক্ষৰ কৰে। শব্দ ভাৰতীৰ ফালৰ পৰা উপ-সভাপতি কালিচৰণ বাসফোৰ, সম্পাদক ডাঃ মোহন কৈৰালা আৰু পিজি পাঠ্যক্ৰম সমন্বয়ক নিৰ্মালী দেৱীয়ে চুক্তিপত্ৰত স্বাক্ষৰ কৰে।

ইয়াৰ উপৰিও শিক্ষাৰ্থীৰ বাবে "জীৱিকামূলক পৰামৰ্শ প্ৰদান অনুষ্ঠান" শীৰ্ষক এক কাৰ্যসূচীৰো আয়োজন কৰা হয়। অনুষ্ঠানত কাৰিকৰী নিয়োগ, ভাষা শিক্ষা আৰু বৰ্তমান সময়ৰ বিভিন্ন প্ৰাসংগিক বিষয়ত বিশদ আলোচনা কৰা হয়। অনুষ্ঠানটো সঞ্চালনা কৰে ডাঃ কণিমা পাঠকে।



**কটন কলেজৰ প্ৰেক্ষাগৃহত শব্দ ভাৰতীৰ উদ্যোগত প্ৰকাশিত হিন্দী গ্ৰন্থ 'আচাৰ্য ঈলাৰাম দাস : ব্যক্তিত্ব আৰু কৃতিত্ব' উন্মোচন কৰা মুহূৰ্ত। অনুষ্ঠানত অসম চৰকাৰৰ প্ৰাক্তন মন্ত্ৰী কেশৱ মহন্তৰ সৈতে শব্দ ভাৰতীৰ উপ-সভাপতি কে. বাসফোৰ উপস্থিত থাকে।**

# বিৰাটৰ বিৰাটত্ব অব্যাহত, পুনৰ আইপিএল জয় আৰচিবিৰ

জন জন বিচাৰ
...নতুন দিল্লী





ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰু (আৰচিবি)-এ আইপিএল ২০২৬ৰ ফাইনেলত গুজৰাট টাইটানছক পাঁচ উইকেটত পৰাস্ত কৰি একেৰাহে দ্বিতীয়বাৰৰ বাবে চেম্পিয়নৰ খিতাপ দখল কৰিলে। ২০২৫ চনত প্ৰথমবাৰৰ বাবে ট্ৰফী জয় কৰি ১৮ বছৰৰ অপেক্ষাৰ অন্ত পেলোৱা আৰচিবিয়ে এইবাৰো নিজৰ আধিপত্য বজাই ৰাখি নতুন ইতিহাস ৰচনা কৰিলে।

আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত অনুষ্ঠিত ফাইনেলখনত টছত পৰাজিত হৈ প্ৰথমে বেটিং কৰা গুজৰাট টাইটানঞ্জছে ২০ অভাৰত ৮ উইকেট হেৰুৱাই ১৫৫ ৰাণ সংগ্ৰহ কৰে। দলটোৰ হৈ ৱাশ্বিংটন সুন্দৰে ৩৭ বলত অপৰাজিত ৫০ ৰাণ কৰি সন্মানজনক স্ক’ৰ গঢ়াত মুখ্য ভূমিকা লয়। আনহাতে অধিনায়ক শুভমন গিল আৰু ছাই সুদৰ্শন দৰে তাৰকা বেটাৰসকল এই গুৰুত্বপূৰ্ণ মেচখনত ব্যৰ্থ হয়।

১৫৬ ৰাণৰ লক্ষ্য অনুসৰণ কৰিবলৈ নামি আৰচিবিয়ে বিৰাট কোহলী আৰু ভেংকটেশ আয়াৰৰ দ্ৰুত আৰম্ভণিৰে মেচখন নিজৰ নিয়ন্ত্ৰণলৈ আনে। দুয়োয়ে প্ৰথম উইকেটৰ বাবে ৬২ ৰাণৰ অংশীদাৰিত্ব গঢ়ে। যদিও মধ্যক্ৰমত কেইবাটাও উইকেট দ্ৰুতগতিত পতন হয়, বিৰাট কোহলীয়ে এক প্ৰান্ত আগুৰি ধৰি ৰাখে।

কোহলীয়ে ৪২ বলত ৯টা চাৰি আৰু ৩টা ছয়ৰ সহায়ত অপৰাজিত ৭৫ ৰাণৰ অনবদ্য ইনিংছ খেলি আৰচিবিক বিজয়ৰ দুৱাৰলৈ লৈ যায়। ২৫ বলতে অৰ্ধশতক সম্পূৰ্ণ কৰা কোহলীৰ এই ইনিংছটো আছিল তেওঁৰ আইপিএল জীৱনৰ দ্ৰুততম অৰ্ধশতক। ১৮ অভাৰৰ অন্তিম বলত এটা বিশাল ছয় মাৰি তেওঁ আৰচিবিক পুনৰ চেম্পিয়ন কৰি তোলে।

বলিঙতো আৰচিবিয়ে উজ্জ্বল প্ৰদৰ্শন কৰে। ৰাছিখ ছলাম ডাৰে ৩টা, যশ হেজলউড আৰু ভুৱনেশ্বৰ কুমাৰে ২টাকৈ উইকেট দখল কৰি গুজৰাটক ডাঙৰ স্ক’ৰ গঢ়িবলৈ নিদিলে। একেৰাহে দ্বিতীয়বাৰৰ বাবে খিতাপ জয় কৰি আৰচিবিয়ে প্ৰমাণ কৰিলে যে আইপিএলত এতিয়া তেওঁলোকৰেই ৰাজত্ব। আৰু এই ৰাজত্বৰ কেন্দ্ৰবিন্দুত আছে- কিং বিৰাট কোহলী।

## আৰচিবিৰ ওপৰত কোটি টকাৰ বৰষুণ

**আইপিএল ২০২৬ৰ চেম্পিয়ন আৰচিবিয়ে ট্ৰফীৰ লগতে ২০ কোটি টকাৰ পুৰস্কাৰ লাভ কৰে। উপবিজয়ী গুজৰাট টাইটানঞ্জছে ১৩ কোটি টকা, ৰাজস্থান ৰয়েলছে ৭ কোটি টকা আৰু ছানৰাইজাৰ্ছ হায়দৰাবাদে ৬.৫ কোটি টকা লাভ কৰে। ব্যক্তিগত সন্মানৰ ক্ষেত্ৰত বৈভৱ সূৰ্যবংশীয়ে আধিপত্য বিস্তাৰ কৰে। তেওঁ ইমাৰ্জিং প্লেয়াৰ, অ’ৰেঞ্জ কেপ, মষ্ট ভেলুৱেবল প্লেয়াৰ, ছুপাৰ ষ্ট্ৰাইকাৰ আৰু ছুপাৰ ছিক্সেছৰ সন্মান লাভ কৰে। ফাইনেলৰ নায়ক বিৰাট কোহলীয়ে প্লেয়াৰ অৱ দ্য মেচ সন্মান পায়। পাৰ্পল কেপ লাভ কৰে কাগিছো ৰাবাডাই। ফেয়াৰ প্লে এৱাৰ্ড লাভ কৰে পঞ্জাব কিংছে।**

# আইপিএল ২০২৬ : সকলোতকৈ উজ্বল সূৰ্যবংশীৰ বৈভৱ

জন জন বিচাৰ
...নতুন দিল্লী



ভাৰতীয় ক্ৰিকেটত প্ৰতিভাৰ অভাৱ কেতিয়াও হোৱা নাই। কিন্তু আইপিএল ২০২৬-ত ১৫ বছৰীয়া বৈভৱ সূৰ্যবংশীয়ে যি ধুমুহা তুলিলে, সেয়া ক্ৰিকেট ইতিহাসত এক নতুন অধ্যায় হিচাপে লিপিবদ্ধ হ’ব। তেওঁৰ বিস্ফোৰক বেটিং, সাহসী মানসিকতা আৰু ৰেকৰ্ডভঙা প্ৰদৰ্শনে সমগ্ৰ প্ৰতিযোগিতাখন নিজৰ নামত সীমাবদ্ধ কৰি পেলালে।

আইপিএলৰ দৰে বিশ্বৰ অন্যতম কঠিন টি-২০ লীগত সূৰ্যবংশীয়ে ১৬টা ইনিংছত ৭৭৬ ৰাণ সংগ্ৰহ কৰি অৰেঞ্জ কেপ জয় কৰে। মাত্ৰ ১৫ বছৰ বয়সত এনে কৃতিত্বই তেওঁক ক্ৰিকেট জগতৰ নতুন চুপাৰষ্টাৰ হিচাপে প্ৰতিষ্ঠা কৰিছে। তেওঁৰ ষ্ট্ৰাইক ৰেট আছিল ২৩৭-ৰো অধিক, যিয়ে প্ৰতিপক্ষৰ বলাৰসকলৰ বাবে তেওঁক আতংকৰ নাম কৰি তুলিছিল।

কেৱল ৰাণ সংগ্ৰহেই নহয়, সূৰ্যবংশীয়ে এটা ছিজনত সৰ্বাধিক ছয়কাৰৰ নতুন অভিলেখ গঢ়ি টি-২০ কিংবদন্তি ক্ৰিছ গেইলৰ ৰেকৰ্ডো ভংগ কৰে। ইয়াৰ উপৰিও তেওঁ পুৰুষ টি-২০ ক্ৰিকেটৰ আটাইতকৈ কম বয়সীয়া শতকধাৰী আৰু ১০০০ টি-২০ ৰাণ সম্পূৰ্ণ কৰা আটাইতকৈ কম বয়সীয়া খেলুৱৈ হিচাপেও পৰিগণিত হয়।

বিশ্বৰ বহু প্ৰাক্তন ক্ৰিকেটাৰ আৰু বিশেষজ্ঞই সূৰ্যবংশীক ভাৰতীয় ক্ৰিকেটৰ ভৱিষ্যৎ বুলি অভিহিত কৰিছে। তেওঁলোকৰ মতে, এই কিশোৰ খেলুৱৈয়ে ইতিমধ্যে ৰাষ্ট্ৰীয় দলৰ দুৱাৰত টোকৰ মাৰিবলৈ সক্ষম হৈছে। নিশ্চয়, আইপিএল ২০২৬-ত আন বহু তাৰকাই উজ্জ্বল প্ৰদৰ্শন আগবঢ়াইছে।

কিন্তু প্ৰতিযোগিতাখনৰ আটাইতকৈ ডাঙৰ আকৰ্ষণ, আটাইতকৈ ডাঙৰ চমক আৰু আটাইতকৈ ডাঙৰ কাহিনী আছিল বৈভৱ সূৰ্যবংশী। সেয়েহে ক্ৰিকেটপ্ৰেমীয়ে আজি যদি কয়- “সূৰ্যবংশীৰ আগত সকলো ফিকে”, তেন্তে সেয়া কেৱল আৱেগ নহয়; ৰেকৰ্ড, পৰিসংখ্যা আৰু অসাধাৰণ প্ৰদৰ্শনে প্ৰমাণ কৰা এক বাস্তৱ সত্য।

**প্ৰথম পৃষ্ঠাৰ পৰা**

## তামিলনাডুত গণপ্ৰহাৰত...

এই ঘটনাই সমগ্ৰ অসমক স্তম্ভিত কৰি তুলিছে। জানিব পৰা মতে, যোৱা সোমবাৰে চেন্নাইলৈ যাত্ৰা কৰা প্ৰসেনজিৎ বুধবাৰে কৰ্মসংস্থাপনৰ উদ্দেশ্যে তামিলনাডুত উপস্থিত হৈছিল। আন ছয়জন অসমীয়া শ্ৰমিকৰ সৈতে এটা ভাড়াঘৰত বাস কৰি থকা প্ৰসেনজিৎ শুকুৰবাৰে সন্ধিয়া এলেকাটো ঘূৰি চাবলৈ ওলাই যায়। তাৰ পিছতেই সংঘটিত হয় এই মাৰাত্মক ঘটনা।

স্থানীয় আৰক্ষীৰ প্ৰাথমিক তদন্ত অনুসৰি, মদ্যপ অৱস্থাত এজন স্থানীয় মহিলাৰ সৈতে অসদাচৰণ কৰাৰ অভিযোগ উত্থাপিত হৈছে। ইয়াৰ পিছত মহিলাগৰাকীৰ আত্মীয় আৰু একাংশ স্থানীয় লোকে প্ৰসেনজিৎক আক্ৰমণ কৰে। গণপ্ৰহাৰত গুৰুতৰভাৱে আহত হোৱা যুৱকজনৰ পিছত মৃত্যু হয়।

কিন্তু ঘটনাটোৰ আন এটা দিশে অধিক শোক আৰু উদ্বেগৰ সৃষ্টি কৰিছে। পৰিয়ালৰ ভাষ্য অনুসৰি, আক্ৰমণৰ পূৰ্বে প্ৰসেনজিতে ফোন কৰি জীৱন ভিক্ষা বিচাৰিছিল। “মোক বচাও” বুলি চিঞৰি সহায় বিচৰা সেই ফোনকলেই এতিয়া তেওঁৰ জীৱনৰ শেষ স্মৃতি।

এই ঘটনাই পুনৰবাৰ প্ৰশ্ন উত্থাপন কৰিছে-অসমৰ পৰা কৰ্মসংস্থাপনৰ বাবে অন্য ৰাজ্যলৈ যোৱা হাজাৰ হাজাৰ শ্ৰমিক কিমান সুৰক্ষিত?

চাকৰিৰ অভাৱ, আৰ্থিক সংকট আৰু উন্নত জীৱনৰ আশাত প্ৰতিবছৰে লক্ষাধিক অসমীয়া যুৱক-যুৱতী ৰাজ্যৰ বাহিৰলৈ যায়। কিন্তু ভাষাগত বাধা, সামাজিক বিচ্ছিন্নতা, আইনী জ্ঞানৰ অভাৱ আৰু সুৰক্ষাহীনতাই তেওঁলোকক প্ৰায়ে বিপদৰ সন্মুখীন কৰে।

উল্লেখযোগ্য যে, যোৱা মে’ মাহতেই বেংগালুৰুত লক্ষীমপুৰৰ এজন শ্ৰমিকৰ ৰহস্যজনক মৃত্যু হৈছিল। ইয়াৰ পূৰ্বে মণিপুৰ আৰু তামিলনাডুতো একাধিক অসমীয়া শ্ৰমিকৰ মৃত্যুৰ ঘটনা সংঘটিত হৈছে। ২০২৫ চনত চেন্নাইৰ ওচৰত এটা নিৰ্মাণস্থলীত ৯জন অসমীয়া শ্ৰমিকৰ মৃত্যুৱে ৰাজ্যজুৰি তীব্ৰ আলোড়নৰ সৃষ্টি কৰিছিল।

এই ঘটনাসমূহে স্পষ্টকৈ দেখুৱাইছে যে ৰাজ্যৰ বাহিৰত কৰ্মৰত শ্ৰমিকসকলৰ সুৰক্ষা, আইনী সহায় আৰু জৰুৰীকালীন সহায় ব্যৱস্থাক অধিক শক্তিশালী কৰাৰ প্ৰয়োজনীয়তা ক্ৰমাৎ বৃদ্ধি পাইছে।

অসম চৰকাৰে আৰম্ভ কৰা “শ্ৰদ্ধাঞ্জলি” আঁচনিয়ে ৰাজ্যৰ বাহিৰত মৃত্যুবৰণ কৰা লোকৰ নশ্বৰ দেহ নিজ গৃহলৈ ঘূৰাই অনাৰ ব্যৱস্থা কৰিছে যদিও মূল প্ৰশ্নটো এতিয়াও অমীমাংসিত-কিয় বাৰে বাৰে অসমৰ শ্ৰমিকসকলে নিজৰ জীৱন হেৰুৱাবলগীয়া হৈছে?

প্ৰসেনজিৎ দাসৰ মৃত্যুৱে এক পৰিয়ালৰ পৰা এজন উপাৰ্জনক্ষম সদস্য কাঢ়িয়াই নিয়াৰ লগতে অসমৰ প্ৰব্ৰজনশীল শ্ৰমিকসকলৰ সুৰক্ষাক লৈ পুনৰবাৰ এক ডাঙৰ প্ৰশ্নচিহ্ন এৰি গল।


# ‘হোমৱৰ্ক’ : হেৰাই যোৱা শৈশৱৰ এখন দৰ্পণ

জন জন বিচাৰ
...✍ গুৱাহাটী

এজন শিশু। মে'মাহৰ গধূলি। খিৰিকীৰে সোমাই অহা ৰ'দ। বাহিৰত সমনীয়াসকলৰ খেল-ধেমালি। কিন্তু সি বহি আছে টেবুলৰ সন্মুখত। আগত হোমৱৰ্কৰ পাহাৰ, তাৰ পিছত টিউচন, নিশা পুনৰ পঢ়া। শিশুটোৰ বাবে জীৱন যেন এক অন্তহীন দৌৰ।

এই দৃশ্য কেৱল চলচ্চিত্ৰৰ কাহিনী নহয়; ই আজিৰ ভাৰতৰ লক্ষ লক্ষ শিশুৰ বাস্তৱতা। এই বাস্তৱতাকেই সংবেদনশীলভাৱে পৰ্দাত তুলি ধৰিছে পৰিচালক অচিন্ত্যজ্য শংকৰৰ নতুন অসমীয়া চলচ্চিত্ৰ ‘হোমৱৰ্ক’-এ।

সম্প্ৰতি মুক্তি লাভ কৰা এই চলচ্চিত্ৰই কেৱল বিনোদনেই প্ৰদান কৰা নাই; বৰং আধুনিক সমাজত শিশুসকলে সন্মুখীন হোৱা মানসিক চাপ, শিক্ষাৰ প্ৰতিযোগিতা আৰু হেৰাই যোৱা শৈশৱৰ বিষয়ে এক গভীৰ আলোচনা আৰম্ভ কৰিছে।




## অপুৰ চকুত দেখা শৈশৱৰ পৃথিৱী

চলচ্চিত্ৰখনৰ কেন্দ্ৰীয় চৰিত্ৰ অপু। চহৰীয়া জীৱনৰ নিয়ম-শৃংখলাৰ মাজত বন্দী অপুৰ মন সদায় গাঁৱৰ ককা-আইতাৰ ঘৰলৈ উৰি যায়। তাৰ বাবে গাঁও মানে মুক্তি, সেউজীয়া পথাৰ, বন্ধুবোৰ, ককাতো ভাই-ভনীৰ সৈতে খেল-ধেমালি আৰু সময়ৰ কোনো কঠোৰ নিয়ম নথকা এক পৃথিৱী।

যেতিয়া ককাকে তাক গাঁৱলৈ লৈ যায়, তেতিয়াই আৰম্ভ হয় ছবিখনৰ মূল যাত্ৰা। এই যাত্ৰা কোনো নাটকীয় ঘটনাৰে ভৰা নহয়; বৰং ই শিশুমনৰ স্বাধীনতা আৰু আনন্দৰ এক নীৰৱ অনুসন্ধান।

দৰ্শকে অপুৰ সৈতে হাঁহে, দৌৰে, খেলি ফুৰে আৰু অনুভৱ কৰে- আচলতে শৈশৱ কিমান সৰল আৰু সুন্দৰ হ'ব পাৰে।

## অভিভাৱকৰ বাবে এক নীৰৱ সতৰ্কবাণী

চলচ্চিত্ৰখনৰ অন্যতম শক্তিশালী মুহূৰ্ত হৈছে অপুৰ ককাৰ সংলাপ। তেওঁ অপুৰ পিতৃ-মাতৃক কোৱা এক সাধাৰণ বাক্যই সমগ্ৰ ছবিখনৰ মূল বক্তব্য স্পষ্ট কৰে- “ভৱিষ্যতৰ নামত বৰ্তমানক বলি নিদিবা।”

বৰ্তমানৰ সমাজত বহু অভিভাৱকে সন্তানৰ উজ্জ্বল ভৱিষ্যতৰ আশাত বিদ্যালয়, টিউচন, সংগীত, নৃত্য, প্ৰতিযোগিতামূলক পৰীক্ষা আদিৰ এক অন্তহীন চক্ৰত তেওঁলোকক আবদ্ধ কৰি ৰাখে। চলচ্চিত্ৰখনে এই মানসিকতাক কঠোৰভাৱে সমালোচনা নকৰে। বৰং কোমলভাৱে প্ৰশ্ন তোলে-এই সকলো ব্যৱস্থাৰ মাজত শিশুটোৰ শৈশৱ ক'ত হেৰাই গৈছে?

## অচিন্ত্য শংকৰৰ পৰিণত সৃষ্টিশীলতা

অসমীয়া চলচ্চিত্ৰ জগতত অচিন্ত্য শংকৰে ইতিমধ্যে এক স্বতন্ত্ৰ পৰিচয় গঢ়ি তুলিবলৈ সক্ষম হৈছে। ‘প্ৰতিঘাত’, ‘দূৰ’, ‘প্ৰিয়াৰ প্ৰিয়’, ‘কাঞ্চনজঙ্ঘা’ আদি চলচ্চিত্ৰৰ জৰিয়তে তেওঁ সংযমী অথচ হৃদয়স্পৰ্শী কাহিনী কোৱাৰ দক্ষতা প্ৰদৰ্শন কৰিছে।

‘হোমৱৰ্ক’ক তেওঁৰ সৃষ্টিশীল যাত্ৰাৰ এক পৰিণত অধ্যায় বুলি ক'ব পাৰি। এই ছবিখনে কেৱল কাহিনী কোৱা নাই, বৰং আমাৰ সময়ৰ এক গুৰুত্বপূৰ্ণ সামাজিক সংকটক শিল্পৰ ভাষাত প্ৰকাশ কৰিছে।

## শিশুশিল্পীৰ অনবদ্য অভিনয়

অপুৰ চৰিত্ৰত অভিনয় কৰা সূৰ্যাং জিউ মাৰ্ঘেৰিটাই ছবিখনৰ প্ৰাণ। তেওঁৰ অভিনয়ত কৃত্ৰিমতাৰ কোনো চিন দেখা নাযায়। তেওঁ যেন অভিনয় কৰা নাই, বাস্তৱ জীৱনৰ এক শিশুকেই পৰ্দাত দেখা গৈছে।

আনহাতে অপুৰ মাতৃৰ চৰিত্ৰত অভিনয় কৰিছে গায়ত্ৰী মহন্তই। বহুদিনৰ অন্তত অসমীয়া চলচ্চিত্ৰলৈ তেওঁৰ প্ৰত্যাৱৰ্তন দৰ্শকৰ বাবে এক সুখবৰ। আকৰ্ষণীয় কথা হ'ল-বাস্তৱ জীৱনতো সূৰ্যাং আৰু গায়ত্ৰী মা-ল'ৰা। ফলত তেওঁলোকৰ মাজৰ সম্পৰ্ক আৰু আবেগ পৰ্দাত স্বাভাৱিকভাৱে প্ৰতিফলিত হৈছে।

## আজিৰ শিক্ষাব্যৱস্থাৰ এক নীৰৱ সমালোচনা

‘হোমৱৰ্ক’ৰ অন্যতম ডাঙৰ কৃতিত্ব হ'ল, ই আধুনিক শিক্ষাব্যৱস্থাৰ সমস্যাসমূহক শিশুৰ দৃষ্টিকোণৰ পৰা চাবলৈ চেষ্টা কৰিছে। আজিৰ শিশু বিদ্যালয়, টিউচন, অনলাইন ক্লাছ আৰু প্ৰতিযোগিতাৰ মাজত এনে এক জীৱন যাপন কৰিছে, য'ত খেল-ধেমালি, কৌতূহল আৰু সৃষ্টিশীলতাৰ স্থান ক্ৰমে সংকুচিত হৈ আহিছে। আধুনিক শৈশৱৰ এই সংকটক কেন্দ্ৰ কৰি নিৰ্মিত চলচ্চিত্ৰ ‘হোমৱৰ্ক’ এক ব্যতিক্ৰমী প্ৰয়াস।

# গৰমত খাদ্য বিষক্ৰিয়াৰ ভয়

জন জন বিচাৰ
...✍ নতুন দিল্লী

**গ্ৰীষ্মকাল আহিলেই বৃদ্ধি পায় তাপমাত্ৰা। লগে লগে বৃদ্ধি পায় আন এক নীৰৱ স্বাস্থ্য-সংকট-খাদ্য বিষক্ৰিয়া। বহুতে গৰমৰ দিনত পেটৰ বিষ, বমি, ডায়েৰিয়া, দুৰ্বলতা বা জ্বৰৰ দৰে সমস্যাক সাধাৰণ বুলিয়েই গণ্য কৰে। কিন্তু চিকিৎসকসকলৰ মতে, এই লক্ষণসমূহৰ আঁৰত বহু সময়ত লুকাই থাকে খাদ্য বিষক্ৰিয়াৰ সমস্যা।**

**বিশেষকৈ শিশু, বৃদ্ধ আৰু ৰোগপ্ৰতিৰোধ ক্ষমতা কম থকা লোকসকলৰ বাবে এই সমস্যা বিপজ্জনক ৰূপ ধাৰণ কৰিব পাৰে। সামান্য অসাৱধানতা, পচা খাদ্য বা দূষিত পানীয়ে এজন সুস্থ ব্যক্তিকো অসুস্থ কৰি তুলিব পাৰে।**

**খাদ্য বিষক্ৰিয়াৰ লক্ষণ ঃ** বমি বা বমিভাৱ, ডায়েৰিয়া, পেটৰ বিষ আৰু মুৰ্চা, জ্বৰ, মূৰ ঘূৰোৱা, দুৰ্বলতা আৰু শৰীৰত পানীৰ অভাৱ।

## খাদ্য বিষক্ৰিয়াৰ মূল কাৰণসমূহ

**দূষিত খাদ্য ঃ** খাদ্য বিষক্ৰিয়াৰ আটাইতকৈ ডাঙৰ কাৰণ হৈছে দূষিত খাদ্য। খাদ্য প্ৰস্তুতকৰণ, পৰিবহণ অথবা সংৰক্ষণৰ সময়ত জীৱাণু সোমাই পৰিব পাৰে।

**দূষিত পানী ঃ** বিশুদ্ধ নোহোৱা পানী খাদ্য বিষক্ৰিয়াৰ আন এক গুৰুত্বপূৰ্ণ কাৰণ। বিশেষকৈ গ্ৰীষ্মকালত পানীৰ মাধ্যমে বহু জীৱাণু সহজে শৰীৰত প্ৰৱেশ কৰে।

**খাদ্য সঠিকভাৱে সংৰক্ষণ নকৰা ঃ** অনেকেই ৰন্ধা খাদ্য ঘণ্টাৰ পিছত ঘণ্টা বাহিৰত ৰাখি দিয়ে। গৰমত এই অভ্যাস অত্যন্ত বিপজ্জনক।

**আধাসিজা খাদ্য ঃ** গাখীৰ ভালদৰে উতলাই নাখালে অথবা আধাসিজা মাংস-মাছ খালে খাদ্য বিষক্ৰিয়াৰ সম্ভাৱনা বৃদ্ধি পায়।

**পথৰ কাষৰ খোলা খাদ্য ঃ** বহু সময়ত পথৰ কাষত বিক্ৰী হোৱা খাদ্য ধূলি, মাখি আৰু দূষণৰ সংস্পৰ্শলৈ আহে। ফলত সেই খাদ্য স্বাস্থ্যৰ বাবে ক্ষতিকাৰক হৈ পৰে।

*গ্ৰীষ্মকালত স্বাস্থ্য সুৰক্ষাৰ অন্যতম মূলমন্ত্ৰ হৈছে পৰিষ্কাৰ খাদ্য, বিশুদ্ধ পানী আৰু সঠিক সংৰক্ষণ। খাদ্য বিষক্ৰিয়া কোনো ডাঙৰ মহামাৰী নহ'লেও অসাৱধানতাৰ ফলত ই গুৰুতৰ স্বাস্থ্য-সমস্যাৰ সৃষ্টি কৰিব পাৰে। সেয়েহে খাদ্য প্ৰস্তুত আৰু সংৰক্ষণৰ ক্ষেত্ৰত অলপ সজাগতা আৰু সচেতনতাই আপোনাক আৰু আপোনাৰ পৰিয়ালক বহু বিপদৰ পৰা ৰক্ষা কৰিব পাৰে।*

# নখ সুন্দৰ আৰু শক্তিশালী ৰাখিবলৈ সহজ যত্ন

সুস্থ, পৰিষ্কাৰ আৰু উজ্জ্বল নখ কেৱল সৌন্দৰ্যৰ প্ৰতীক নহয়, ই আমাৰ সামগ্ৰিক স্বাস্থ্যৰো পৰিচয় বহন কৰে। কিন্তু বহু লোকৰ নখ সহজে ভাঙি যায়, পীতবৰ্ণ হয় বা দুৰ্বল হৈ পৰে। বিশেষজ্ঞসকলৰ মতে, সঠিক যত্ন আৰু সুষম খাদ্যৰ জৰিয়তে নখক সুস্থ আৰু শক্তিশালী কৰি ৰাখিব পাৰি।



নখৰ স্বাস্থ্যৰ বাবে প্ৰ'টিন, বায়'টিন, ভিটামিন বি-৭, লৌহ আৰু ভিটামিনসমৃদ্ধ খাদ্য গ্ৰহণ অতি প্ৰয়োজনীয়। কণী, ডাল, গাখীৰ, বাদাম, ফল-মূল আৰু সেউজীয়া শাক-পাচলি নিয়মিতভাৱে খাদ্যত অন্তৰ্ভুক্ত কৰিব লাগে। লগতে দৈনিক পৰ্যাপ্ত পৰিমাণে পানী পান কৰিলে নখ শুকাই যোৱাৰ সম্ভাৱনা কমে।

নখ নিয়মিতভাৱে পৰিষ্কাৰ কৰি ৰাখিব লাগে আৰু অত্যধিক দীঘল হ'বলৈ দিব নালাগে। ৰাতি শোৱাৰ আগতে নাৰিকল বা জলফাই তেলেৰে নখত মালিচ কৰিলে নখৰ উজ্জ্বলতা আৰু শক্তি বৃদ্ধি পায়। নেমু আৰু নিমখ মিহলোৱা কুহুমীয়া পানীত কিছু সময় হাত ডুবাই ৰাখিলেও নখ পৰিষ্কাৰ আৰু চকচকীয়া হয়।

নেলপলিচ আৰু ৰাসায়নিক সামগ্ৰীৰ অত্যধিক ব্যৱহাৰ পৰিহাৰ কৰা উচিত।

পূৰ্বাঞ্চল প্ৰিন্টাৰ্ছ, জি.এম.চি.এইচ. ৰোড, হৰবলা মাৰ্কেট, ভঙাগড়, গুৱাহাটী-৭৮১০০৫ দ্বাৰা পৰা প্ৰকাশিত আৰু মুদ্ৰিত। যোগাযোগঃ ৬৯০০১২৬০১২
ই-মেইলঃ official.janjanvichar@gmail.com, ৱেবছাইটঃ www.janjanvichar.in ●কাৰ্যকাৰী সম্পাদক : সুভাষ কুমাৰ চৌধুৰী ●সম্পাদক : ধনেশ্বৰ চৌধুৰী